মোবাইল ফ্ৰেইণ্ডলি
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

MONDAY, OCTOBER 21, 2024 ■ সোমবাৰ, ৪ কাতি, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৮৭ Guwahati, Assam ।। মূল্যঃ এটকা

## প্ৰতিনিধিৰ আৱশ্যক

'ই-সংবাদ'ৰ বাবে তেজপুৰ, যোৰহাট, লখিমপুৰ, ধেমাজি, ডিব্ৰুগড়, ডিফু আৰু তিনিচুকীয়াৰ পৰা প্ৰতিনিধিৰ আৱশ্যক। নিম্নোক্ত নম্বৰত হোৱাটছএপ কৰিব পাৰে। নম্বৰঃ ৯৩৬৫২২৫২৪৮।

## নামতিত অসমীয়া যুৱতীক আক্ৰমণ বহিৰাগতৰ

**ই-সংবাদ, আমগুৰি, ২০ অক্টোবৰঃ** উজনি অসমত পুনৰ বহিৰাগতই খিলঞ্জীয়া যুৱতীৰ গাত হাত দিয়াত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এইবাৰ শিৱসাগৰ জিলাৰ নামতি চাৰিআলিত খিলঞ্জীয়া যুৱতীক প্ৰহাৰ কৰাৰ অভিযোগ শেষাংশ ২ পৃষ্ঠাত


### জলস্তৰ অস্বাভাৱিকভাৱে হ্ৰাস
## অনিৰ্দিষ্ট কালৰ বাবে মাজুলীত বন্ধ চৰকাৰী ফেৰী!



**ই-সংবাদ, মাজুলী, ২০ অক্টোবৰঃ** শুকাই গৈছে ব্ৰহ্মপুত্ৰৰ জলস্তৰ। ব্ৰহ্মপুত্ৰৰ জলৰাশি অস্বাভাৱিক ভাৱে শুকাই গৈছে। যাৰ বাবে ভৱিষ্যত শেষাংশ ৫ পৃষ্ঠাত

### ৩ মাহ পূৰ্বেই মৃত্যু হোৱাৰ সন্দেহ, আৰক্ষীৰ তদন্ত আৰম্ভ
## জ্যোতিকুছিত বৃদ্ধাৰ কংকাল উদ্ধাৰ

**ই-সংবাদ, ২০ অক্টোবৰঃ** গুৱাহাটী মহানগৰীৰ জ্যোতিকুছিত সংঘটিত হৈছে এক হৃদয়বিদাৰক ঘটনা। জংঘলৰে আৱৰি থকা এটা ঘৰ। ঘৰটোত মানসিকভাৱে সামান্য







পৰিমাণে অসুস্থ পুত্ৰৰ সৈতে বাস কৰিছিল পূৰ্ণিমা দে' নামৰ এগৰাকী বৃদ্ধা মহিলা। কিছুবছৰ পূৰ্বে মহিলাগৰাকীৰ স্বামীৰ বিয়োগ শেষাংশ ৪ পৃষ্ঠাত

### শিৱসাগৰত সৰ্বত্ৰে চাঞ্চল্য
## অ'এনজিচি কাণ্ড, এএছটিচিৰ চালক আটক

**ই-সংবাদ, শিৱসাগৰ, ২০ অক্টোবৰঃ** অ'এনজিচিৰ অসম সম্পদৰ বকতা-নেমুগুৰিৰ এটা তৈল খাদৰ পৰা পাঁচ বিষয়াক আলফা স্বাধীনৰ সদস্যৰ দ্বাৰা অপহৰণৰ শেষাংশ ৩ পৃষ্ঠাত

## দিল্লীত স্কুলৰ সমুখত বিস্ফোৰণ

**নতুন দিল্লী, ২০ অক্টোবৰঃ** ৰাজধানী নতুন দিল্লীত আজি পুৱাই সংঘটিত হয় এক বিস্ফোৰণৰ ঘটনা। নতুন দিল্লীৰ প্ৰশান্ত বিহাৰৰ ৰোহিনী অঞ্চলত থকা চি আৰ শেষাংশ ২ পৃষ্ঠাত

## উচ্ছেদক লৈ বাগানে বাগানে উৰাবাতৰি!

**ই-সংবাদ, ২০ অক্টোবৰঃ** মুখ্যমন্ত্ৰীয়ে আজি মিছন বসুন্ধৰা আঁচনিৰ ৩.০ মুকলি কৰাৰ পাছতে এটা খবৰে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। বিশেষকৈ চাহ বাগিচা এলেকাত শেষাংশ ২ পৃষ্ঠাত

### ৰায়দানে প্ৰভাৱ নেপেলায় বুলি কৈয়ো ৰায়মতেই কাম!
# '৭১ৰ পূৰ্বৰ শৰণাৰ্থীয়ে বসুন্ধৰাত পাব সুবৰ্ণ সুযোগ




মিছন বসুন্ধৰা ৩.০ মুকলি মুখ্যমন্ত্ৰীৰ, দেওবাৰে

ই-সংবাদ, ২০ অক্টোবৰঃ **সময়ে সময়ে দেশৰ নাগৰিকত্ব আইন ১৯৫৫ মতেই অসমত নাগৰিকত্বৰ ভিত্তিবৰ্ষ ১৯৫১ চন হ'ব লাগে বুলি হৌজাল-বৌজাল কৰি অহা মুখ্যমন্ত্ৰীয়ে সৰ্বোচ্চ ন্যায়ালয়ৰ ৰায়দানৰ কোনো প্ৰভাৱ অসমীয়া ৰাইজৰ মাজত নপৰে** শেষাংশ ৫ পৃষ্ঠাত

## ন্যায়ালয়ৰ ৰায়ক লৈ সুখী নহয় মুখ্যমন্ত্ৰী

**ই-সংবাদ, ২০ অক্টোবৰঃ** উচ্চতম ন্যায়ালয়ে অসমত নাগৰিকত্বৰ ভিত্তিবৰ্ষক লৈ দিয়া ঐতিহাসিক ৰায় সন্দৰ্ভত আজি পুনৰবাৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীয়ে ঝাৰখণ্ডৰ বিধানসভা শেষাংশ ২ পৃষ্ঠাত

## বিহালীক বাদ দি ৪ সমষ্টিত কংগ্ৰেছৰ প্ৰাৰ্থী ঘোষণা, অখিল-লুৰীণলৈ দিল্লীৰ ফোন

**ই-সংবাদ, ২০ অক্টোবৰঃ** অসম সন্মিলিত মৰ্চাক চমুকৈ 'অসম'ক সন্মান জনাই নিখিল ভাৰত কংগ্ৰেছ কমিটীয়ে উপ-নিৰ্বাচন হ'বলগীয়া ৫টা সমষ্টিৰ চাৰিটা সমষ্টিতহে আজি প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। অসম বিধানসভাৰ ৫ সমষ্টিৰ উপ-নিৰ্বাচনৰ ক্ষেত্ৰত বিজেপি দলে টিকট ঘোষণা কৰিছে যদিও কংগ্ৰেছ দলে পূৰ্বৰ বিৰোধী ঐক্য মঞ্চ তথা বৰ্তমানৰ 'অসম'ৰ সিদ্ধান্তক সন্মান জনাই আজি শেষাংশ ৬ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নামতিত অসমীয়া যুৱতীক আক্ৰমণ

উত্থাপন হৈছে। উজনি অসমত পুনৰবাৰ বহিৰাগত দম্পতিয়ে অসমীয়া যুৱতীক আক্ৰমণ কৰিবলৈ সাহস কৰিলে। বহিৰাগত সুনীল ঠাকুৰে আক্ৰমণ কৰাৰ অভিযোগ উঠিছে। জানিব পৰা মতে, নামতিৰ ২নং অভয়াপুৰীয়াত গাঁৱৰ বুধিন চন্দ্ৰ দত্তৰ কন্যা পুৰবী দত্তই কালি বিয়লি বহিৰাগত সুনিল ঠাকুৰ আৰু পত্নী পুনম দেৱীৰ ঘৰলৈ গৈছিল। নামতি চাৰিআলিৰ আমগুৰি ৰোডত ভাড়াতীয়া হিচাপে থকা সুনিল ঠাকুৰৰ পৰা টিউচন কৰা টকা বিচাৰিছিল পুৰবী দত্তই। টকা বিচৰাই হ'ল কাল। পুৰবী দত্তক আক্ৰমণ কৰা বুলি অভিযোগ উঠিছে। বহিৰাগতৰ আক্ৰমণত আঘাটপ্ৰাপ্ত যুৱতীগৰাকী জয়সাগৰস্থিত শিৱসাগৰ অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। বহিৰাগতই অসমীয়া যুৱতীক আক্ৰমণ কৰা ঘটনাক কেন্দ্ৰ কৰি গৰজি উঠিছে জিলাখনৰ বিভিন্ন জাতীয় সংগঠন। আটাছুৰ শিৱসাগৰ জিলাৰ সভাপতি অখিল আহোমে অসমত বহিৰাগতৰ দপদপনি কেতিয়াও নচলিব বুলি স্পষ্ট কৰে। চৰকাৰে যদি বহিৰাগতৰ ওপৰত শীঘ্ৰে ব্যৱস্থা গ্ৰহণ নকৰে তেন্তে শিৱসাগৰ জিলা বন্ধ দিয়াৰ হুংকাৰ প্ৰদান কৰিছে অখিল আহোমে। আনহাতে উজনি অসম থলুৱা মুছলিম পৰিষদৰ শিৱসাগৰ জিলা সমিতিয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে বিগত কেইবামাহ ধৰি অনাঅসমীয়া বহিৰাগতৰ হাতত অসমীয়া থলগিৰি যুৱক-যুৱতীসকল সময়ে সময়ে অপদস্থ আৰু নিৰ্যাতিত হৈ আহিছে। দুৰ্ভগ্যজনক যে জাতীয় দল-সংগঠনৰ তীব্ৰ প্ৰতিবাদৰ পাছতো অসমীয়া জাতিটোক যেন বহিৰাগতই কেৰেপ নকৰে আৰু এক প্ৰকাৰ অসমীয়া জাতিটোক বুঢ়া আঙুলি প্ৰদৰ্শন কৰি অসমৰ মাটিতেই নিজ ইচ্ছামতে দপদপাই আছে। গতিকে অনাঅসমীয়াৰ দপদপনি কোনো কাৰণতেই সহ্য কৰা নহব বুলি হুংকাৰ দিয়ে সংগঠনটোৱে। নামতি আৰক্ষীয়ে অপৰাধীক গ্ৰেপ্তাৰ কৰি কাৰাগাৰলৈ প্ৰেৰণ কৰে। ঘটনা সন্দৰ্ভত যুৱতীগৰাকীৰ পিতৃয়ে নামতি আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। বহিৰাগত সুনীল ঠাকুৰক গ্ৰেপ্তাৰ কৰি ১২/২০২৪ নম্বৰৰ গোচৰ পঞ্জীয়ন কৰি সুনীল ঠাকুৰক কাৰাগাৰলৈ প্ৰেৰণ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উচ্ছেদক লৈ বাগানে বাগানে

বনজুইৰ দৰে বিয়পি পৰে এই খবৰ। চাহ বাগিচা এলেকাত ঘৰ নিৰ্মাণ কৰি থকা চাহ শ্ৰমিকক উচ্ছেদ কৰিব বুলি বনজুইৰ দৰে প্ৰচাৰ হ'বলৈ ধৰাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। আজি মুখ্যমন্ত্ৰীয়ে মিছন বসুন্ধৰাৰ তৃতীয় সংস্কৰণ মুকলি কৰাৰ পাছতে মুখ্যমন্ত্ৰীৰ এক মন্তব্যই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছিল। চাহ বাগিচাৰ মাটিত ঘৰ বান্ধিলে এতিয়াৰ পৰা ফৌজদাৰী গোচৰৰ সন্মুখীন হ'ব লাগিব দখলকাৰী। চাহ বাগিচাৰ ভূমি দখল কৰি ঘৰ সজোৱা লোকক গ্ৰেপ্তাৰ কৰা হ'ব পাৰে। ২০২২ চনৰ ৩১ ডিচেম্বৰৰ পূৰ্বে ঘৰ নিৰ্মাণ কৰাসকলক বিশেষ ৰেহাই দিয়া হ'ব। মিছন বসুন্দৰা ৩.০ সমাপ্ত হোৱাৰ পাছতে চাহ বাগিচাক লৈ কঠোৰ আইন আনিব ৰাজ্য চৰকাৰে। আবেলি এই খবৰ সংবাদমাধ্যমত প্ৰকাশৰ পিছতে আতংকিত হয় চাহ বাগিচাৰ শ্ৰমিককে ধৰি অন্যান্য লোক। চাহ জনগোষ্ঠীৰ লগতে বিভিন্ন সংগঠনে সৰৱ চৰ্চা আৰম্ভ হ'বলৈ ধৰে। এনে প্ৰচাৰে বিজেপিক শলঠেকত পেলাব পাৰে বুলি চৰ্চা হয়। সেই সময়তে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যম যোগে নিশাই স্পষ্টিকৰণ দিবলৈ বাধ্য হয়। সমাজিক মাধ্যমত মুখ্যমন্ত্ৰীয়ে কয়, "বেদখলৰ বিৰুদ্ধে আমাৰ শূন্য সহনশীলতা নীতিৰ অধীনত বিশেষকৈ চাহ বাগিচা অঞ্চলৰ ক্ষেত্ৰত আমি অনুমতিবিহীন ব্যক্তি আৰুবেদখলকাৰীৰ দ্বাৰা ডিব্ৰুগড় আৰু তিনিচুকীয়াৰ দৰে চহৰত নতুন ঘৰ নিৰ্মাণত বাধা আৰোপ কৰিছো। চাহ বাগিচাৰ শ্ৰমিকসকলৰ সৈতে এই নিৰ্দেশৰ কোনো সম্পৰ্ক নাই। মই স্পষ্ট কৰি দিব বিচাৰো যে এই নিৰ্দেশ কেৱল বেদখলকাৰীসকলৰ বাবেহে প্ৰযোজ্য আৰু আমাৰ চাহ বাগিচা সম্প্ৰদায়ৰ যিসকলে তেওঁলোকৰ নিজৰ ঘৰ নিৰ্মাণ কৰি আছে, তেওঁলোকৰ ক্ষেত্ৰত এনে কথা কোনো কাৰণতে প্ৰযোজ্য নহয়।"

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দিল্লীত স্কুলৰ সমুখত বিস্ফোৰণ

পি এফ স্কুলৰ বাহিৰত সংঘটিত হোৱা এই বিস্ফোৰণস্থলীত উপস্থিত হৈছে ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থাৰ এটা দল। তাৰোপৰি বিস্ফোৰণস্থলীত উপস্থিত হৈছে ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমণ বাহিনী আৰু নেচনেল ছিকিউৰিটি গাৰ্ড চমুকৈ এন এছ জিৰ এটা দল। এই বিস্ফোৰণৰ ঘটনাৰ তদন্ত আৰম্ভ কৰিছে দিল্লী আৰক্ষীয়ে। তাৰোপৰি এটা ফৰেঞ্চিক দলে বিস্ফোৰণস্থলীৰ নমুনা সংগ্ৰহ কৰিছে। দিল্লী আৰক্ষীৰ মতে এই বিস্ফোৰণ কিদৰে সংঘটিত হৈছে সেই বিষয়ে এতিয়ালৈকে কোনোধৰণৰ তথ্য লাভ কৰা নাই। এই সন্দৰ্ভত তদন্ত কৰি থকা হৈছে। দিল্লী আৰক্ষীৰ পি আৰ অ' সঞ্জয় ত্যাগীয়ে জনোৱা মতে পুৱা প্ৰশান্ত বিহাৰ অঞ্চলত বিস্ফোৰণ শব্দ শুনিবলৈ পোৱা গৈছিল। তাৰ পাছতেই আৰক্ষীৰ এটা দল সেই স্থানত উপস্থিত হয়। তেওঁলোকে অঞ্চলটোত প্ৰথমে এক দুৰ্গন্ধ লাভ কৰে আৰু তাৰ উৎস বিচাৰি চি আৰ পি এফ বিদ্যালয়ৰ চৌহদৰ ভিতৰত ভঙা খিৰিকীৰ কাঁচ আদি লাভ কৰে। জ্যেষ্ঠ বিষয়া, ফৰেনচিক বিভাগ, অপৰাধ অনুসন্ধান দল, বিশেষ তদন্তকাৰী গোট আদিয়ে ঘটনাৰ তদন্ত কৰি আছে বুলিও তেওঁ জনাইছে। আজিৰ এই ঘটনাই দিল্লীত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ন্যায়ালয়ৰ ৰায়ক লৈ সুখী

নিৰ্বাচনত ব্যস্ত আছিল যদিও আজি গুৱাহাটীত এক চৰকাৰী কাৰ্যসূচীত অংশ লৈ পুনৰ উচ্চতম ন্যায়ালয়ৰ ৰায়ক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ৰায় ঐতিহাসিক হয় নে নহয় সেয়া মই নাজানো বুলি কয়। মুখ্যমন্ত্ৰী স্পষ্ট কৈ একো নকলেও অসমৰ ৰাইজে এই ৰায়ক দুই ধৰণে লোৱা বুলি কয়। মুখ্যমন্ত্ৰীয়ে কয় যে এই ৰায় ঐতিহাসিক হয় নে নহয় সেয়া মই নাজানো। এই ৰায়ক অসমৰ লোকে দুই ধৰণে লৈছে। অসমৰ বহু ৰাইজ আকৌ বিচাৰিছিল ভিত্তিবৰ্ষ ১৯৫১ চন হ'ব লাগে। এই ৰায়ে একাংশ লোকে আনন্দ দিছে একাংশ লোকে বেদনা দিছে। মোৰ প্ৰতিক্ৰিয়া হ'ব মিশ্ৰিত। এই ৰায় ঐতিহাসিক ৰায় বুলি ক'ব খোজা নাই। আনন্দ আৰু বেদনাৰ এটা ৰায়। অসমীয়া জাতিয়ে এনেকৈ সংগ্ৰাম কৰি আগুৱাই যাব লাগিব। চৰকাৰৰ স্থিতি এয়াই যে যিহেতু চৰকাৰে অসম চুক্তি কৰিছিল। সেই কাৰণে ভিত্তিবৰ্ষ ৭১ চন হ'ব লাগে। বিদেশী চিনাক্তকৰণৰ ভিত্তিবৰ্ষ ১৯৭১ চনৰ ২৫ মাৰ্চ বাহাল ৰাখি ৰায় দিয়াত বিজেপিৰ নেতা-কৰ্মীয়ে মুখ খোলা নাছিল। বিজেপিৰ নেতা-কৰ্মীয়ে সততে নাগৰিকত্বৰ ভিত্তিবৰ্ষ ১৯৫১ চন বিচাৰি ভাষণ প্ৰদান কৰি আহিছিল। কিন্তু বিজেপিৰ কথা কোৱা আৰু কামৰ মাজত প্ৰাৰ্থাক্য স্পষ্ট হৈ আছিল। বিজেপিয়ে মুখত অসমত নাগৰিকত্বৰ ভিত্তিবৰ্ষ ১৯৫১ বিচাৰিলেও হাতে কামে কিন্তু ১৯৭১ চন বিচাৰি আদালতত শপতনামা দিছিল। উচ্চতম ন্যায়ালয়ে ১৯৭১ চনৰ ২৫ মাৰ্চক ভিত্তিবৰ্ষ কৰি ৰায়দান কৰাত বিজেপিয়ে ৰায় উৎসাহজনক নহয় বুলি কৈছিল। লগতে ১৯৫১ চনৰ পৰা ১৯৭১ চনলৈ বিদেশীৰ বোজা ল'বলগীয়া হোৱা বুলি আক্ষেপ প্ৰকাশ কৰিছিল। প্ৰকৃততে বিজেপিয়ে গোচৰত শপতনামা দাখিল কৰি ১৯৭১ চন ভিত্তিবৰ্ষ বিচাৰিছিল। ৰাজনীতিৰ স্বাৰ্থত তথা খিলঞ্জীয়াৰ কথা বাৰে বাৰে কোৱা বিজেপিয়ে অসমৰ ৰাইজক অন্ধকাৰত ৰাখি আদালতত ১৯৭১ চনকে ভিত্তিবৰ্ষ বিচাৰিছিল। ১৯৭১ চন বিচাৰি উচ্চতম ন্যায়ালয়ত শপতনামা দাখিল কৰাই নহয় নাগৰিকত্ব আইন, ১৯৫৫ সংশোধন কৰি ২০১৪ চনৰ ৩১ ডিচেম্বৰলৈ বাংলাদেশৰ হিন্দুক অসমত নাগৰিকত্ব লাভৰ পথ প্ৰশস্ত কৰি দিছে। এনেদৰে এতিয়া সৰ্বোচ্চ ন্যায়ালয়ৰ ৰায়দানৰ পিছত কা সন্দৰ্ভতো একপ্ৰকাৰ শলঠেকত পৰিবলগীয়াত হৈছে বিজেপি দল আৰু চৰকাৰ। ফলত অতি কৌশলগতভাৱে দলটোৰ আন নেতাসকলৰ লগতে মুখ্যমন্ত্ৰীগৰাকীয়েও এতিয়া বিভিন্ন ধৰণৰ চালে-বেৰে কোবোৱা মন্তব্য কৰিবলৈ বাধ্য হৈ পৰা দেখা গৈছে। আজিৰ মন্তব্যাতো তেনে কথাই স্পষ্ট হৈ পৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অ'এনজিচি কাণ্ড, এএছটিচিৰ

চাঞ্চল্যকৰ ষড়যন্ত্ৰ ৰচনাৰ লগত জড়িত এগৰাকী পৰিবহণ নিগমৰ স্থায়ী বাছ চালক আৰক্ষীৰ জালত পৰাৰ ঘটনাই তুমুল চাঞ্চল্যৰ সৃষ্টি কৰিছে। অ'এনজিচিৰ কুখ্যাত বিষয়া তথা কোটি টকীয়া সুদখোৰ বেহাৰ চৰ্দাৰ তাহিৰ হুছেইনৰ নেতৃত্বত সংগঠিত ৰূপত চাৰি সশস্ত্ৰ আলফা কেডাৰৰ সহায়ত ৰচনা কৰা অপহৰণৰ ষড়যন্ত্ৰ ব্যৰ্থ কৰিবলৈ সক্ষম হোৱা শিৱসাগৰ আৰক্ষীয়ে আজি মুবিন হাজৰিকা নামৰ এগৰাকী পৰিবহণ নিগমৰ চালকক ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত আটক কৰিবলৈ সক্ষম হোৱাৰ ঘটনাক লৈয়েই সৃষ্টি হৈছে এই চাঞ্চল্যৰ। শিৱসাগৰ জিলাৰ আৰক্ষী অধীক্ষক শুভ্ৰজ্যেতি বৰাৰ প্ৰত্যক্ষ পৰিচালনাত চলা অভিযানকালত কালি নিশা নগৰৰ মাজমজিয়াৰ আস্থানৰ পৰাই কৰায়ত্ব কৰিবলৈ সক্ষম হোৱা মুবিনক আজি সন্ধিয়া আদালতত হাজিৰ কৰোৱা হয় । ১১/২০২৪ নম্বৰৰ গোচৰটোৰ ভিত্তিত আনুষ্ঠানিক গ্ৰেপ্তাৰ কৰি আদালতত হাজিৰ কৰাত আদালতে অধিক সোধা-পোচাৰ বাবে তিনিদিনৰ আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰে। একে সময়তে কালি পুঁৱতি নিশা এই চাঞ্চল্যকৰ অপহৰণ ষড়যন্ত্ৰৰ সৈতে জড়িত থকাৰ অভিযোগত গুৱাহাটীৰ লখৰা আৰু যোৰহাটৰ পৰা গ্ৰেপ্তাৰ কৰা চফিকুল ৰহমান আৰু ত্ৰিনয়ন গগৈক আদালতত হাজিৰ কৰাত আদালতে দুয়োগৰাকীকে পুনৰ তিনিদিনৰ আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰে। ইয়াকে ধৰি এই ৰাজ্য জোঁকাৰি যোৱা ভয়ংকৰ নিগমৰ বিষয়াৰ দলবদ্ধ অপহৰণ কাণ্ডৰ সৈতে মুঠ চাৰিজনকৈ ব্যক্তি আৰক্ষীৰ জালত পৰাৰ বিপৰীতে ৰাহুল হাজৰিকা নামৰ এগৰাকী ছালফা সদস্য গুলীবিদ্ধ হৈ চিকিৎসাধীন হৈ থকাৰ লগতে ঘটনাটোৰ মাষ্টাৰ মাইণ্ড তাহিৰ হুছেইনসহ আৰু কেইবাগৰাকীও ষড়যন্ত্ৰকাৰী অদ্যপৰিমিত পলাতক হৈ আছে। উল্লেখ্য যে, যোৱা ৫ আৰু ৬ অক্টোবৰত বকতা নেমুগুৰিস্থিত অ'এনজিচিৰ এটা খনন ৰিগৰ পৰা আলফা স্বাধীনৰ এটা সশস্ত্ৰ দলে পাঁচগৰাকীকৈ শীৰ্ষ বিষয়াক দলবদ্ধ অপহৰণ কৰি নিয়াৰ ষড়যন্ত্ৰ ৰচনা কৰিছিল। সম্প্ৰতি পলাতক হৈ থকা কুখ্যাত সুদখোৰৰ চৰ্দাৰ তথা নিগমৰ বকতা-নেমুগুৰিৰ উল্লিখিত খনন ৰিগটোৰ সহকাৰী অভিযন্তা তাহিৰ হুছেইনৰ নেতৃত্বত তৈয়াৰ হৈছিল এই ভয়ংকৰ অপহৰণৰ ষড়যন্ত্ৰ। তাহিৰ হুছেইন আৰু ধৃত ইৰচাদ লটিফ ওৰফে মিঠুৰ বাবুপট্টীৰ মৃদুল পথৰ বাসগৃহৰ পৰাই প্ৰস্তুত কৰা হৈছিল সমগ্ৰ ষড়যন্ত্ৰৰ পৰিকল্পনা। মৰাণৰ ৰাহুল হাজৰিকা ওৰফে লাডেনে আলফা স্বাধীনৰ সৈতে সকলো যোগাযোগ সম্পন্ন কৰাৰ বিপৰীতে সুদখোৰ তাহিৰে অপহৰণৰ সমগ্ৰ পৰিকল্পনা বাস্তৱ ৰূপায়ণৰ বাবে গঠন কৰিছিল এটা বিশেষ গোট। যিটো গোটৰ দুজন ব্যক্তিৰ হাতত অৰ্পণ কৰা হৈছিল অপহৃত ব্যক্তিসকলক অসম-নগালেণ্ড সীমান্তৰ লেঙীবৰ-বাকুপুখুৰী অঞ্চললৈকে কঢ়িয়াই নিয়া গাড়ী দুখনৰ চালকৰ দায়িত্ব। ইয়াৰ বিনিময়ত দুয়োগৰাকী দক্ষ চালকক অপহৰণ কাৰ্য্য সফল হ'লে দহ লাখকৈ টকা নগদ দিয়াৰ এক চুক্তি হৈছিল। আনহাতে পলাতক তাহিৰুলৰ সৈতে ধৃত ইৰচাদ লটিফ ওৰফে মিঠু, টিয়কৰ ত্ৰিনয়ন গগৈয়ে অপহৃতসকলক আলফা স্বাধীনৰ দলটোৰ হাতত গতাই দিয়াৰ পিছতেই উক্ত গাড়ী দুখনৰ পৰা নামি পৃথক গাড়ীৰে উভতি অহাৰ পৰিকল্পনা যুগুত কৰিছিল। অপহৃত বিষয়া কেইজনৰ সৈতে চাৰি সশস্ত্ৰ আলফা সদস্য, দুই চালক চফিকুল, মুবিনৰ সৈতে ৰাহুল হাজৰিকা ওৰফে লাডেনেও লেঙীবৰলৈকে গৈ অপহৃতসকলক আন এটা দলৰ হাতত চমজাই দুই চালক সহিতে পুনৰ নিশা ৮ বজাৰ ভিতৰত শিৱসাগৰ চহৰত উপস্থিত হোৱাৰ কথা আছিল। আনহাতে অ'এনজিচিৰ বিষয়া কেইজনক আলফা স্বাধীনৰ দলটোৰে অপহৰণ কৰাৰ পিছতেই মাজপথত নামি পৰা ইৰচাদ লটিফ, ত্ৰিনয়ন গগৈ আৰু তাহিৰুল হুছেইনক আন দুগৰাকী যুৱকে বেলেগ গাড়ীৰে সেই সময়তেই নিজ নিজ ঘৰত নমাই দিয়াৰ কথা আছিল। কালি নিশা আৰক্ষীৰ জালত পৰা সদৰ আৰক্ষী থানাৰ অন্তৰ্গত ৰিৰিয়াৰ নিবাসী মুবিন হাজৰিকাইয়ো ১০ লাখ টকাৰ চুক্তিত সেই দিনা অপহৰণত ব্যৱহৃত তাহিৰুলৰ মালিকানাধীন টিয়'াগ গাড়ীখন চলোৱাৰ দায়িত্ব লৈছিল। শিৱসাগৰ পৰিবহণ নিগম আস্থানৰ স্থায়ী চালক হিচাবে শিৱসাগৰ-লক্ষীমপুৰৰ চালক হিচাপে দায়িত্ব পালন কৰা মুবিন হাজৰিকাই মাজে সময়ে অ'এনজিচিয়ে অধিগ্ৰহণ কৰি লোৱা ড্ৰিল চাইদৰ কৰ্মচাৰী অনা-নিয়া কৰা বাছৰ চালকৰ দায়িত্বও পালন কৰিছিল। সন্দেহ কৰা মতে অ'এনজিচিৰ বিষয়াৰ সকলো চাল-চলন নখ দৰ্পণত থকা মুবিন হাজৰিকাক সেই সুত্ৰেই কুখ্যাত তাহিৰৰ গেঙত অন্তভূক্ত কৰা হৈছিল। অৱশ্যে অপহৰণৰ বাবে স্থিৰ কৰা ৬ অক্টোবৰৰ দিনটোত জৰুৰীভাৱে পৰিবহণ বিভাগে দায়িত্ব অৰ্পণ কৰাত সেইদিনা উপস্থিত থাকিব পৰা নাছিল। কিন্তু শেহতীয়াকৈ অসম আৰক্ষীৰ ইতিহাসত প্ৰথমবাৰৰ বাবে সশস্ত্ৰ বিদ্ৰোহী সংগঠনৰ ইমান এক সুনিপূণ পৰিকল্পনা ব্যৰ্থ কৰি দিবলৈ সক্ষম হোৱা শিৱসাগৰ আৰক্ষীয়ে এই ঘটনাৰ লগত জড়িত বাবুপট্টীৰ ইৰচাদ লটিফ ওৰফে মিঠু, নগৰৰ পোনজান পথৰ নিবাসী নৈশ বাছৰ চালক চফিকুল ৰহমান, টিয়কৰ ত্ৰিনয়ন গগৈক গ্ৰেপ্তাৰ আৰু মৰাণৰ চালফা ৰাহুল হাজৰিকাক এনকাউণ্টাৰ কৰাৰ পিছতেই ফাদিল হোৱা তথ্যৰ ভিত্তিতেই মুবিন হাজৰিকা আৰক্ষীৰ জালত পৰে। ইফালে সমগ্ৰ অপহৰণ ষড়যন্ত্ৰৰ মাষ্টাৰ মাইণ্ড, সুদৰ ব্যৱসায়ৰ চৰ্দাৰ তথা অ'এনজিচিৰ বিষয়া পলাতক তাহিৰুল হুছেইনৰ সন্ধান আজি পৰ্য্যন্ত ওলোৱা নাই। ১৪ অক্টোবৰৰ সন্ধিয়াতেই পত্নীক দুলীয়াজানৰ মাতৃ গৃহলৈ পঠিয়াই পলায়ন কৰা তাহিৰুলক বিচাৰি শিৱসাগৰ আৰক্ষীৰ কেইবাটাও গোটে গোটে পৃথকে পৃথকে জোৰদাৰ অভিযান অব্যাহত ৰাখিছে। অৰুণাচল আৰক্ষীৰ সহায়ত অৰুণাচলৰ কেইবাটাও স্থানত আত্মগোপন কৰি থকাৰ সন্দেহত তীব্ৰ অভিযান চলোৱাৰ লগতে আন এটা গোটে গুৱাহাটীত বাহৰ পাতি তীব্ৰ অভিযান চলাই আছে। ইতিমধ্যে তাহিৰুলৰ সন্ধানত ৰেল, বিমান, বাছ আস্থান সকলোতে চোকা নজৰ ৰখা আৰক্ষীয়ে তাহিৰুলে বিহাৰ হৈ ব্যক্তিগত বাহনেৰে নেপাললৈ পলোৱাৰো আশংকা প্ৰকাশ কৰিছে । স্মৰ্তব্য যে, এই সমগ্ৰ অপহৰণ ষড়যন্ত্ৰ পোহৰলৈ আনি শিৱসাগৰ আৰক্ষীয়ে ১৫ অক্টোবৰৰ পুঁৱতি নিশা বাবুপট্টীৰ নিজ গৃহৰ পৰা আটক কৰি গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱা ইৰচাদ লটিফ ওৰফে মিঠু নামৰ অন্যতম ষড়যন্ত্ৰকাৰীটোক শিৱসাগৰ আৰক্ষীয়ে আনুষ্ঠানিকভাৱে ১১/২০২৪ নম্বৰৰ গোচৰটোত গ্ৰেপ্তাৰ কৰি আদালতত হাজিৰ কৰাই ৭ দিনৰ জিম্মাত বিছাৰি আবেদন জনাইছিল। কিন্তু উল্লেখিত দিনটোত ন্যায়াধীশৰ অনুপস্থিতি আৰু কেতবোৰ ন্যায়ালয়ৰ কাৰিকৰী অসুবিধাৰ বাবে সেইদিনা আদালতে ইৰচাদ লটিফক কাৰাগাৰলৈ প্ৰেৰণ কৰে। অহা দুই-এদিনতে পুনৰ দীঘলীয়া সময়ৰ বাবে আৰক্ষীয়ে নিজৰ জিম্মাত বিচাৰিবলগীয়া ইৰচাদ লটিফ ওৰফে মিঠুৰ পৰা আৰু বহুত বিস্ফোৰক তথ্য উদ্ধাৰ হোৱাৰ সম্ভাৱনা আছে। ফলত অচিৰেই সংগঠিত ৰূপত নিগমৰ পাঁচ বিষয়াৰ চাঞ্চল্যকৰ অপহৰণ ষড়যন্ত্ৰৰ লগত জড়িত থকা আন কেইবাজনো ব্যক্তি জালত পৰাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। আনহাতেদি ৬ অক্টোবৰৰ দিনা নিগমৰ পাঁচ বিষয়াক অপহৰণৰ বাবে দুটা এ কে চিৰিজৰ ৰাইফল আৰু দুটা নাইন এম এম পিষ্টল লৈ শিৱসাগৰ চহৰৰ মাজমজিয়াত চাৰি সশস্ত্ৰ আলফা স্বাধীনৰ সদস্যই বহু সময় ধৰি অৱস্থান কৰি থকা, অপহৰণৰ বাবে সাজু হোৱা ইত্যাদি বিষয়বোৰে সমগ্ৰ ষড়যন্ত্ৰ অতি পৰিকল্পিত ভাৱে যে ৰচনা কৰা হৈছিল সেয়া স্পষ্ট কৰি তুলিছে। বিশেষকৈ বাধাহীনভাৱে অসম-নাগালেণ্ড সীমান্ত অতিক্ৰম কৰি টেঙাপুখুৰী আৰক্ষী চকী, শিমলুগুৰি আৰক্ষী থানা, নেমুগুৰি আৰক্ষী থানা আৰু শেষত সদৰ আৰক্ষী থানাৰ অন্তৰ্গত চহৰৰ মাজমজিয়াইদি যোৱা ৰাষ্ট্ৰীয় ঘাইপথত অৱস্থান কৰাৰ ঘটনাই বহু প্ৰশ্নৰ সৃষ্টি কৰিছে। নিয়মীয়া তালাচী চকী থকাৰ পিছতো অস্ত্ৰ-শস্ত্ৰ সহিতে নগালেণ্ড সীমান্তৰ পৰা প্ৰায় ৪০ কিলোমিটাৰ ভিতৰৰ শিৱসাগৰ চহৰত প্ৰৱেশ কৰি অৱস্থান কৰাৰ ঘটনাই নিৰাপত্তা দিশটোৰ প্ৰতিও বহু প্ৰশ্নৰ সৃষ্টি কৰিছে। একে সময়তে বিভিন্ন সূত্ৰই এই তাহিৰ হুছেইন আৰু ৰাহুল হাজৰিকা ওৰফে লাডেন নেতৃত্বাধীন গোটটোৱে বৃহৎ পৰিমাণৰ প্ৰতিস্থিত ব্যৱসায়ী, নিগমৰ অৱসৰী বিষয়া, চাহ বাগিছাৰগৰাকীৰ পৰা ধন দাবীৰ পৰিকল্পনা ৰচনা কৰিছিল নেকি বুলি প্ৰশ্নৰ সৃষ্টি হৈছে। সততে তাহিৰুলৰ নিষিদ্ধ সুদৰ ব্যৱসায়ত ধন লোৱা ব্যক্তিৰ পৰা ধন উঠোৱাৰ দায়িত্বত থকা ইৰচাদ লটিফে এনে প্ৰক্ৰিয়াৰে একাংশ প্ৰতিস্থিত ব্যৱসায়ীৰ তালিকাও প্ৰস্তুত কৰাৰ সন্দেহ প্ৰকাশ কৰিছে। অৱশ্যে তাহিৰ হুছেইন নামৰ মাষ্টাৰ মাইণ্ড গৰাকী আৰক্ষীৰ জালত পৰিলেহে স্পষ্ট হ'ব প্ৰকৃততে শিৱসাগৰলৈ আলফা স্বাধীনৰ নেতা কেইজন অহাৰ পূৰ্বেই অত্যাধুনিক মাৰণাস্ত্ৰ শিৱসাগৰলৈ আহিছিল নে নাই। তাহিৰুল জালত পৰিলেহে স্পষ্ট হ'ব আলফা স্বাধীনৰ পৰৱৰ্তী লক্ষ্য কি আছিল। এনেকৈ এতিয়া অ'এনজিচিৰ বিষয়াক অপহৰণৰ ষড়যন্ত্ৰ চলাৰ কথা পোহৰলৈ অহাৰ পিছতে চহৰখনত সৰ্বত্ৰে আতংকই বিৰাজ কৰা দেখা গৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# জ্যোতিকুছিত বৃদ্ধাৰ কংকাল উদ্ধাৰ

ঘটিছিল। তেতিয়াৰে পৰা মাতৃ-পুত্ৰই অকলেই বাস কৰি আহিছিল। মহিলাগৰাকীৰ মানসিকভাৱে অসুস্থ প্ৰায় ৩৬-৩৭ বছৰীয়া জয়দেৱ দে' নামৰ পুত্ৰৰ আক্ৰমণাত্মক ব্যৱহাৰৰ বাবে ওচৰ-চুবুৰীয়াসকলেও ঘৰখনলৈ খা-খবৰ ল'বলৈ যাবলৈ ইতস্ততঃতবোধ কৰিছিল। আত্মীয়-স্বজনেও একেটা কাৰণতে ঘৰখনলৈ আহিবলৈ ভয় কৰিছিল। লাহে লাহে ঘৰটোৰ চৌহদ ভৰি পৰিছিল জংঘলেৰে। কথাটো সকলোৰে অলপকৈ মন কৰিছিল যদিও ব্যস্ত মহানগৰীত মানসিকভাৱে অসুস্থ এগৰাকী লোক থকা ঘৰখনৰ ভিতৰত কি চলি আছে সেয়া তন্ন-তন্নকৈ চাবলৈ কোনোৰেই আগ্ৰহো অনুভৱ কৰা নাছিল। দুই-এজনে পদুলিলৈ ওলাই অহা ল'ৰাজনক মাজে-সময়ে মাতৃৰ খা-খবৰ সুধিলেও ভালেই আছে বুলি কৈছিল। কিন্তু এমাহ-দুমাহ নহয়, তিনিমাহ ধৰি মহিলাগৰাকীক বাহিৰলৈ ওলোৱা নেদেখি তথা চৌহদত জংঘলৰ পৰিমাণ বাঢ়ি অহাত এজন সচেতন লোকে লক্ষ্মী পূজাৰ পিছদিনা বাটত ৰৈ থকা ল'ৰাজনক এই বিষয়ে প্ৰশ্ন কৰে। চৌহদত বাঢ়ি অহা জংঘলখিনি কিয় ছাফ-চিকুণ কৰা নাই বুলি প্ৰশ্ন কৰাত ল'ৰাজনে অকলে কেনেকৈ ছাফা কৰিম বুলি উত্তৰ দিয়ে। তেতিয়া লোকজনে মাক থাকোতে কেনেকৈ অকলশৰীয়া হ'ল বুলি কয়। লোকজনৰ কথাত ল'ৰাজনে মাক বহুদিন আগতেই দেউতাকৰ ওচৰলৈ গুচি গ'ল বুলি মন্তব্য কৰে। ল'ৰাজনে মাক দেউতাকৰ ওচৰলৈ গুচি যোৱা বুলি কোৱা কথাটোক লৈ সচেতন লোকজনৰ মনত সন্দেহ ঘনীভূত হৈ উঠে। লগে লগে তেওঁ চুবুৰীয়া মহিলা এগৰাকীক মাতি আনে আৰু সন্দেহৰ বিষয়ে বিৱৰি কৈ বৃদ্ধা মহিলাগৰাকীৰ কোনো আত্মীয়ক চিনি পাই নেকি বুলি সোধে। মহিলাগৰাকীয়ে তেতিয়া দুগৰাকী আত্মীয়ক চিনি পাও বুলি কৈ ফোনযোগে মাতিব বুলি জনায়। ফোনযোগে মতাৰ পিছত আত্মীয় দুগৰাকী আজি দুপৰীয়াৰ ভাগত সেই ঠাইত উপস্থিত হোৱাত সচেতন লোকজনে বিষয়টোক লৈ আলোচনা কৰে। ঘৰখনলৈ কিয় নাযায় বুলি সোধাত আত্মীয় দুগৰাকীয়ে জনায় যে গ'লেই ল'ৰাটোৱে মাৰিবলৈ খেদি আহে বাবেই নাযায়। লগতে ফোন কৰিলে মাক ঠিকেই আছে বুলি কয় বাবেও কথাটো বেলেগকৈ ভবা নাছিল বুলিও জানিবলৈ দিয়ে। এনে অৱস্থাৰ কথা জানিব পাৰি আৰক্ষী বিভাগত কৰ্মৰত সচেতন লোকজনে আত্মীয় দুগৰাকীক আৰক্ষীক খবৰ দিবলৈ পৰামৰ্শ আগবঢ়ায়। উক্ত পৰামৰ্শ অনুযায়ী মহিলাগৰাকীৰ ভাতৃ আৰু আন এগৰাকী আত্মীয়ই আৰক্ষীক খবৰ দিয়ে। ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ ল'ৰাজনক নিয়ন্ত্ৰণত ৰাখি জপনাৰ তলা ভাঙি ঘৰৰ ভিতৰত প্ৰৱেশ কৰোতেই বৃদ্ধাগৰাকীৰ কংকাল প্ৰত্যক্ষ কৰে। ওচৰ-চুবুৰীয়া আৰু আৰক্ষীয়ে যতন লোৱাৰ অভাৱতে মহিলাগৰাকীৰ মৃত্যু ঘটিছে বুলি সন্দেহ কৰিছে। 'আমাক ঘৰলৈ যাবলৈ নিদিয়ে ভাগিনটোৱে। মাৰিবলৈ খেদে। ফোন কৰিলে বাইদেউ ভালেই আছে বুলি কয়। ফোনটোও লগাই নিদিয়ে। আমিও ভালেই আছে বুলিয়েই ভাবি আছিলো।'-সংবাদ মাধ্যমৰ আগত এইদৰে কয় এগৰাকী আত্মীয়ই। ঘটনা সন্দৰ্ভত এগৰাকী চুবুৰীয়াই কয়, "ল'ৰাজন মেণ্টেলি অলপ ডিষ্টাৰ্বড। দেউতাক থকাৰ সময়তো এনেকুৱাই আছিল। তেতিয়া দেউতাকে তাক চিকিৎসা আদি কৰি আছিল। মাকো অলপ অসুখীয়া আছিল বুলি জানিছিলো। সেয়ে পুতেকৰ চিকিৎসা ভালকৈ কৰিব পৰা নাছিল হয়তো। আৰু পুতেকে সেই অৱস্থাৰেনো মাকক কি চাব? ঘৰটোৰ চৌহদৰ গেটত পুতেকে অনবৰতে তলা লগাই থৈ দিয়ে বাবে কোনো আহিবও নোৱাৰে। গতিকে এনে ঘটনা এটা হৈ গ'ল বুলি আমি ভাবি লৈছো।" স্থানীয় ফটাশিল আৰক্ষীয়ে কংকালটো উদ্ধাৰ কৰি প্ৰাথমিক অনুসন্ধানৰ পিছত মহিলাগৰাকীৰ মৃত্যু কোনো হত্যাকাণ্ড নহয় বুলিয়েই মন্তব্য কৰিছে। 'ফৰেনছিকৰ দলো আহিছে। চিআইডিৰ দলো আহিছে। এতিয়ালৈ হত্যাকাণ্ড যেন লগা নাই। কিন্তু আৰু অধিক তদন্তৰ প্ৰয়োজন আছে। ল'ৰাজন যিহেতু মানসিকভাৱে সুস্থ নহয় সেয়ে অনুসন্ধানত কিছু সময়ৰ প্ৰয়োজন হ'ব। আমি সোধোতে ল'ৰাজনে তেওঁলোকৰ কোনো নিজৰ মানুহ নাই বাবে তেনেকৈ থাকিল বুলি কৈছে। ল'ৰাজনে ৩ মাহ মানৰ পৰা মাক এনেকৈ পৰি আছিল বুলি কৈছে যদিও মেডিকেল পৰীক্ষাৰ অন্ততহে সঠিককৈ সকলো জানিব পৰা যাব।"-এইদৰে কয় ফটাশিল আৰক্ষী থানাৰ এগৰাকী বিষয়াই। আৰক্ষীয়ে ইতিমধ্যে কংকালটো উদ্ধাৰ কৰি ফৰেনছিক আৰু মেডিকেল পৰীক্ষাৰ ব্যৱস্থা কৰিছে বুলি জানিব পৰা গৈছে। ঘটনা সন্দৰ্ভত মানসিক ৰোগ বিশেষজ্ঞৰ পৰামৰ্শ আৰু সহযোগত ল'ৰাজনক সোধা-পোছাৰ ব্যৱস্থা কৰা হ'ব বুলিও জনাইছে ফটাশিল আৰক্ষীয়ে। এই ঘটনাৰ খবৰ প্ৰচাৰ হোৱাৰ লগে লগে এতিয়া ছ'চিয়েল মিডিয়াতো নেটিজেনসকলৰ মাজত যথেষ্ট প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱা দেখা গৈছে। একাংশ নেটিজেনে ঘটনাৰ সবিশেষ নজনাকৈয়ে ইমানদিনে ওচৰ-চুবুৰীয়াই কি কৰি আছিল বুলি ওচৰ-চুবুৰীয়াক দোষাৰোপ কৰা পৰিলক্ষিত হৈছে। আন একাংশই আকৌ এয়া নগৰীয়া যান্ত্ৰিকতাৰ ফল বুলিও মন্তব্য কৰিছে। দুই-এজন সচেতন ব্যক্তিয়ে মানসিকভাৱে অসুস্থ ব্যক্তি থকা পৰিয়ালৰ আন সদস্যসকলৰ বাবে স্বাভাৱিক জীৱন-যাপন কিমান কষ্টকৰ হৈ পৰে সেই লৈও চৰ্চা কৰিছে। বিশেষকৈ এগৰাকী অকলশৰীয়া মহিলাই মানসিকভাৱে অসুস্থ পুত্ৰৰ সৈতে কটোৱাতো বাকীসকলে ভবাৰ দৰে ইমান সহজ নহয় বুলিও নিজা নিজা বিশ্লেষণ আগবঢ়াই কংকাল উদ্ধাৰ হোৱা মহিলাগৰাকীৰ অসহায় অৱস্থাটো উপলব্ধি কৰিবলৈ চেষ্টা কৰা দেখা গৈছে। এনেদৰে এতিয়া সমগ্ৰ ঘটনাটোৱে গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ সৰ্বত্ৰে চাঞ্চল্যৰ সৃষ্টি কৰা দেখা গৈছে। প্ৰকৃততে ঘটনাটো কেনেকৈ সংঘটিত হৈছিল, এয়া স্বাভাৱিক নে কি সেই সকলো আৰক্ষীৰ অধিক তদন্ততহে ওলাই পৰিব।

# উচ্চ ন্যায়ালয়ৰ নিৰ্দেশকো কৰিলে অমান্য! লটাৰী খেলক লৈ উত্তপ্ত ওদালগুৰি

**ই-সংবাদ, ওদালগুৰি, ২০ অক্টোবৰঃ** এখন লটৰী খেলক কেন্দ্ৰ কৰি আজি পুৱাৰ পৰাই উত্তপ্ত হৈ পৰে ওদালগুৰি চহৰৰ ওদালগুৰি আৰক্ষী থানাৰ অন্তৰ্গত ১ নম্বৰ সাপেখাইটি অঞ্চল। অঞ্চলটোৰ ভীমাশংকৰ শিৱ মন্দিৰৰ সাহাৰ্য্যাৰ্থে আয়োজিত বৃহৎ লটাৰী খেলখনত জালিয়াতিৰ অভিযোগ উত্থাপন কৰি পুৱাৰ পৰাই লটাৰী খেল পৰিচালনা সমিতিৰ মূল কাৰ্যালয়ত লটাৰী কুপন ক্ৰয় কৰা গ্ৰাহকসকলে উত্তপ্ত পৰিৱেশৰ সৃষ্টি কৰে। উল্লেখ্য যে, এশ টকীয়া লটাৰী খেলখনত ভাগ্যৱানৰ বাবে আল্ট্ৰা বাছ, জেচিবিকে ধৰি মুঠ ২১ টাকৈ পুৰস্কাৰৰ কথা ঘোষণা কৰি প্ৰায় দুমাহ পূৰ্বৰে পৰা টিকটসমূহ বিক্ৰী কৰি আছিল খেল পৰিচালনা সমিতিয়ে। আজি নিৰ্দ্ধাৰিত দিনটোত খেল অনুষ্ঠিত হবলগীয়া আছিল। ফলত খেল অনুষ্ঠিত হবলগীয়া স্থানত কুপন ক্ৰয় কৰা গ্ৰাহকে ভিৰ কৰিছিল যদিও তাৰ পূৰ্বেই খেল অনুষ্ঠিত হোৱা বুলি ফলাফলৰ এখন বেনাৰ আৰি উদ্যোক্তাসকল অন্তৰ্ধান হয়। ফলত খেল উপভোগ কৰিবলৈ যোৱা ৰাইজ তথা কুপন ক্ৰয় কৰা ক্ৰেতাই উত্তপ্ত পৰিৱেশৰ সৃষ্টি কৰে। ৰাইজৰ অভিযোগ অনুসৰি সমিতিয়ে কোনো ধৰণৰ খেল অনুষ্ঠিত নকৰাকৈ নিজৰ খিয়াল খুচিৰে ফলাফল ঘোষণা কৰে। ইয়াৰ পাছতেই ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। ৰাইজৰ দাবী অনুসৰি হয় খেলখন নতুনকৈ অনুস্থিত কৰক নহ'লে ৰাইজে ক্ৰয় কৰা টিকটৰ মূল্য ঘূৰাই দিয়ক। অতি আশ্বৰ্যকৰ বিষয় এয়েই যে খেলৰ ফলাফলৰ বেনাৰ আৰি থোৱাৰ পাছতো ওদালগুৰিৰ ভিন্ন প্ৰান্তত বিক্ৰী হৈ আছিল খেলখনৰ টিকট। উল্লেখ্য যে ৰাজ্যৰ উচ্চ ন্যায়ালয়ে ইতিমধ্যে ৰাজ্যত লটাৰী খেল একপ্ৰকাৰ নিসিদ্ধ কৰাৰ পিছতো কিদৰে ওদালগুৰিৰ উক্ত সমিতিখনে মুকলিকৈ লটাৰীৰ টিকট বিক্ৰীৰ সাহস কৰিলে? ইতিমধ্যে লটাৰী খেলখনৰ পৰিচালনা সমিতিৰ সভাপতি-সম্পাদক ক্ৰমে ৰামলাল ৰাজভৰ-ৰাজু চৌহানকে ধৰি আন সদস্যসকল পলাতক অৱস্থাত আছে। ভুক্তভোগী ৰাইজে খেল পৰিচালনাৰ দায়িত্বত থকা লোকসকলৰ শাস্তিৰ দাবী তুলিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অনিৰ্দিষ্ট কালৰ বাবে মাজুলীত

দিনলৈ অশনি সংকেত নামি আহিছে। ব্ৰহ্মপুত্ৰৰ মাজ অংশলৈকে এতিয়া পানীভাগ শুকাই গৈ বালিচৰ ওলাই পৰিছে। চৌদিশে কেৱল মৰুভূমি সদৃশ বালিচৰ পৰিৱেশ সৃষ্টি হৈছে। মাজুলীবাসীৰ দক্ষিণ দিশৰ লগত যোগাযোগৰ পোনপটীয়া মাধ্যম নিমাতী-মাজুলী সংযোগী ব্ৰহ্মপুত্ৰৰ ফেৰী সেৱা। কিন্তু এই যাতায়তৰ ক্ষেত্ৰত এতিয়া আহি পৰিছে ব্যাপক সমস্যা। মাজুলীৰ কমলাবাৰী আৰু নিমাতীৰ মাজত চলাচল কৰা ঐতিহাসিক পুৰণি পাৰ ঘাটটোলৈ ফেৰী চলাচলৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি হৈছে। ব্ৰহ্মপুত্ৰৰ পানী অস্বাভাৱিকভাৱে হ্ৰাস পোৱাত নিতৌ ব্ৰহ্মপুত্ৰৰ বুকুত আৱদ্ধ হৈ পৰিছে ফেৰী। আজি ছটাকৈ মাহে গুটিয়া ফেৰীসমূহ কেৱল চলাই থকা হৈছিল। চৰকাৰী ফেৰীসমূহ সঘন বালিচৰত আৱদ্ধ হোৱাৰ লগতে আশংকাৰে চলাই থকাৰ বাবে ছয় মাহে বন্ধ কৰি ৰাখিছে আভ্যন্তৰীণ জল পৰিবহণ বিভাগে। ব্ৰহ্মপুত্ৰত সঘন ফেৰী আৱদ্ধ আৰু ব্ৰহ্মপুত্ৰৰ জলস্তৰ অস্বাভাৱিকভাৱে হ্ৰাস হোৱাত আশংকাত ভুগিছে মাজুলীবাসী। মাজুলীৰ ঐতিহাসিক পাৰঘাট কমলাবাৰী-নিমাতী সংযোগী পাৰঘাটটো আজিৰে পৰা অনিৰ্দিষ্ট কালৰ বাবে বন্ধ কৰি দিছে আভ্যন্তৰীণ জল পৰিবহণ বিভাগে। কিয়নো পাৰঘাটটোৰে নিমাতীলৈ যোৱা ব্ৰহ্মপুত্ৰৰ মূল সুঁতিতো ঠেক হৈ বালিচৰ ওলাই যোৱাৰ লগতে বাম হৈ পৰাত সঘন ফেৰী আবদ্ধ হৈ পৰিছে। যাৰ পৰিপ্ৰেক্ষিতত এতিয়া বন্ধ কৰি দিবলৈ বাধ্য হৈছে বিভাগে। আভ্যন্তৰীণ জল পৰিবহন বিভাগে কোনো নতুন ৰেম্পৰ ব্যৱস্থা নকৰাত ক্ষোভ প্ৰকাশ কৰিছে মাজুলীবাসীয়ে। এতিয়া কেৱল এটা ফেৰী ঘাটৰ ওপৰতেই নিৰ্ভৰ কৰিব লাগিব মাজুলীবাসীয়ে। সন্মুখত মাজুলীৰ মূল শাৰদীয় উৎসৱ ৰাস আৰু মাজুলীৰ ঐতিহাসিক আউনীআটী সত্ৰৰ পালনাম। এই উৎসৱত মাজুলীলৈ হাজাৰ হাজাৰ মানুহৰ সমাগম হয়। কিন্তু এতিয়া এটা পাৰঘাট অফলামুখ পাৰ ঘাটেৰে নিয়ন্ত্ৰণ কৰাটো সম্ভৱ নহ'ব। আনহাতে মাজুলীবাসীয়েও এটা পাৰঘাটৰ ওপৰত নিৰ্ভৰ কৰি দক্ষিণ দিশৰ লগত যোগাযোগ কৰাটো বহুত কষ্টসাধ্য হৈ পৰিব। কিয়নো মাজুলীৰ পৰা শ শ লোক স্বাস্থ্য, শিক্ষাকে আদি কৰি বিভিন্ন কামত পোনপটীয়াভাৱে কম সময়তে ফেৰীৰে অহা যোৱা কৰে। এতিয়া এটা মাত্ৰ পাৰঘাটেৰে সমগ্ৰ মাজুলীবাসী নিৰ্ভৰ কৰাতো চিন্তনীয় বিষয় হৈ পৰিছে। চৰকাৰখনে ব্ৰহ্মপুত্ৰ খনন কিৰিব বুলি বিভিন্ন সময়ত অৱগত কৰি থাকে যদিও বাস্তৱত সেয়া হৈ উঠা নাই। মাজুলীবাসীয়ে আভ্যন্তৰীণ জল পৰিবহণ বিভাগক যিটো বৰ্তমান পাৰঘাটে অফলা-নিমাতী সংযোগী মাজুলীবাসী নিৰ্ভৰ কৰিব লাগিব সেই পাৰঘাটোৰ ৰেম্প উন্নত কৰাৰ লগতে সঘন ফেৰী সেৱা প্ৰৱৰ্তন কৰি ৰাইজক সুবিধাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ দাবী জনাইছে। বন্ধ হৈ যোৱা কমলাবাৰী-নিমাতী সংযোগী পাৰঘাটোৰ সুকীয়া জলপথ সন্ধান কৰি নতুন ৰেম্প নিৰ্মাণ কৰিবলৈকো দাবী জনাইছে। ইফালে অস্বাভাৱিকভাৱে ব্ৰহ্মপুত্ৰৰ পানী হ্ৰাসে আৰ্থ-সামাজিক ক্ষেত্ৰলৈকো ভাবুকি কঢ়িয়াই আনিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# '৭১ৰ পূৰ্বৰ শৰণাৰ্থীয়ে বসুন্ধৰাত

বুলি মন্তব্য কৰি অহা দেখা গৈছে। কিন্তু চৰকাৰী সিদ্ধান্ততেই এতিয়া ন্যায়ালয়ৰ ৰায়দানৰ প্ৰভাৱ সুস্পষ্ট হৈ পৰিছে। উল্লেখ্য যে, ২০১৪ চনত তেতিয়াৰ বিজেপিৰ প্ৰধানমন্ত্ৰী পদৰ প্ৰাৰ্থী তথা বৰ্তমানৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৪ চনৰ ১৬ মে'ৰ পাছত টালি-টোপোলা বান্ধি বিদেশীয়ে অসম এৰিব লাগিব বুলিও ভাষণ দিছিল। কিন্তু চৰকাৰ গঠনৰ পিছত নাগৰিকত্ব আইন সংশোধন কৰি হিন্দু, শিখ, বৌদ্ধ, জৈন, পাৰ্চী আৰু খ্ৰীষ্টানসকলক ২০১৪ চনৰ ৩১ ডিচেম্বৰলৈ নাগৰিকত্ব দিয়াৰ সিদ্ধান্ত লোৱাৰ অচিলাৰে অসমত বাংলাদেশীসকলক বৰপীৰাহে পাৰি দিয়ে। ইপিনে উচ্চতন ন্যায়ালৰ নাগৰিকত্বৰ ভিত্তিবৰ্ষ ১৯৭১ কৰাতো সন্তুষ্ট নহয় বিজেপি। ১৯৫১ চনৰ পৰা ১৯৭১ চনলৈ বিদেশী খেদিব খুজি উচ্চতম ন্যায়ালয়ৰ ৰায়ৰ ফলত ১৯৫১ চনৰ পৰা ১৯৭১ চনলৈ বিদেশীৰ বোজা ল'বলগীয়া হোৱা বুলি অসমৰ বিজেপিৰ নেতাই আক্ষেপ প্ৰকাশ কৰি আহিছে। আনহাতে আজি বিজেপিৰ নেতা তথা অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ১৯৭১ৰ পূৰ্বে অহা বাংলাদেশী শৰণাৰ্থীক ভূমি পট্টা দিবলৈ সহজ চৰ্ত প্ৰদান কৰিছে। মুঠৰ ওপৰত বিজেপি নেতাৰ কথা-বতৰা এতিয়া সাঁথৰ হৈ পৰিছে। কিয়নো আজি অসমৰ বিজেপি চৰকাৰে অসমত বসবাস কৰা ১৯৭১ৰ পূৰ্বে অহা শৰণাৰ্থীসকক খিলঞ্জীয়াতকৈ সহজেই ভূমিৰ আৱন্টন তথা পট্টা লাভ কৰাৰ পথ প্ৰশস্ত কৰি দিলে। খিলঞ্জীয়াই ভূমিৰ পট্টা লাভ কৰিবলৈ হ'লে বিভিন্ন নথি দি আবেদন কৰিবলগীয়া হয়। ১৯৫১ চনৰ লোকপিয়ল-এনআৰচিৰ নথি, ভোটাৰ তালিকা, তিনি পূৰ্বপুৰুষৰ তথ্যসহ খিলঞ্জীয়াই ভূমিৰ বাবে আৱন্টন কৰিবলগীয়া হয়। কিন্তু ১৯৭১ চনৰ পূৰ্বৰ শৰণাৰ্থীয়ে কেৱল শৰণাৰ্থী হৈ অহা প্ৰমাণপত্ৰখন দিয়েই ভূমি পট্টা তথা ভূমিৰ আৱন্টনৰ বাবে আবেদন কৰিব পাৰিব। খোদ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শৰণাৰ্থীক ভূমি পট্টা প্ৰদানৰ ঘোষণা কৰিছে। আজিৰে পৰা শৰণাৰ্থীয়ে এতিয়াৰ পৰা সহজতে ভূমিৰ পট্টা লাভ কৰিব এই কথা প্ৰতিপন্ন হ'ল। কিয়নো শৰণাৰ্থীৰ হাতত আন কোনো নথি নাই। কেৱল শৰণাৰ্থীৰ প্ৰমাণ পত্ৰখনৰেই ভূমি পট্টা বা ভূমিৰ আৱন্টনৰ বাবে আবেদন কৰিব পাৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে ১৯৭১ চনৰ পূৰ্বৰ শৰণাৰ্থীক ভূমি প্ৰদান কৰিব ৰাজ্য চৰকাৰে। মিছন ৩.০ৰ জৰিয়তে ভূমি পট্টা লাভ কৰিব পাৰিব। ১৯৭১ চনৰ আগৰ শৰণাৰ্থী প্ৰমাণপত্ৰ ধাৰকসকলো এই আঁচনিত যোগ্য বিবেচিত হ'ব। লগতে অনুসূচিত শ্ৰেণী, অনুসূচিত জনজাতি, আদিবাসী, চাহ জনজাতি আৰু গোৰ্খাসকলে ৩ প্ৰজন্মৰ বংশ প্ৰমাণ নিদিয়াকৈ ভূমি পট্টা লাভ কৰিব। আনহাতে, চাহ বাগিচাৰ মাটিত ঘৰ বান্ধিলে এতিয়াৰ পৰা ফৌজদাৰী গোচৰৰ সন্মুখীন হ'ব লাগিব দখলকাৰী। চাহ বাগিচাৰ ভূমি দখল কৰি ঘৰ সজোৱা লোকক গ্ৰেপ্তাৰ কৰা হ'ব পাৰে। ২০২২ চনৰ ৩১ ডিচেম্বৰৰ পূৰ্বে ঘৰ নিৰ্মাণ কৰাসকলক বিশেষ ৰেহাই দিয়া হ'ব। মিছন বসুন্ধৰা ৩.০ সমাপ্ত হোৱাৰ পাছতে চাহ বাগিচাক লৈ কঠোৰ আইন আনিব ৰাজ্য চৰকাৰে। আনহাতে আজি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰা অনুসৰি মণ্ডলসকলক এতিয়াৰ পৰা লেণ্ড ৰেকৰ্ড এচিছটেন্ট' বুলি জনা যাব বুলি ঘোষণা কৰিছে মুখ্যমন্ত্ৰীয়ে। গুৱাহাটীত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত মিছন বসুন্ধৰা ৩.০ৰ শুভাৰম্ভ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি এনে কেইবাটাও ঘোষণা কৰে। আজিৰে পৰা খিলঞ্জীয়াক ভূমিৰ অধিকাৰ প্ৰদানৰ লক্ষ্যৰে মিছ্ৰ বসুন্ধৰা ৩.০ আৰম্ভ হয়। চৰকাৰে গুৱাহাটী চহৰকে ধৰি বিভিন্ন চহৰৰ অঞ্চলত ভূমি প্ৰিমিয়ামৰ হাৰ ১০০ শতাংশৰ পৰা ১০ শতাংশলৈ লৈ হ্ৰাস কৰিছে। পূৰ্বতে প্ৰিমিয়াম ১৫০ শতাংশৰ পৰা ১০০ শতাংশ লৈ হ্ৰাস কৰা স্বত্বেও বহুলোকে এতিয়াও ভূমি অধিকাৰৰ পৰা সম্পূৰ্ণৰূপে লাভান্বিত হ'বলৈ অক্ষম। বিভিন্ন পক্ষৰ সৈতে আলোচনাৰ পিছত আমাৰ চৰকাৰে প্ৰিমিয়াম ১০০ শতাংশৰ পৰা ১০ শতাংশ লৈ অধিক হ্ৰাস কৰাৰ সিদ্ধান্ত লৈছে বুলি কয় মুখ্যমন্ত্ৰীয়ে। অৱশ্যে যদি ভূমিৰ মালিকে ভৱিষ্যতে মাটি বিক্ৰী কৰিব বিচাৰে তেওঁলোকে চৰকাৰক অতিৰিক্ত ৫০ শতাংশ প্ৰিমিয়াম পৰিশোধ কৰিব লাগিব। ঘৰৰ প্ৰিমিয়াম মুঠ মূল্যৰ ৩০ শতাংশৰ পৰা মাত্ৰ ৩ শতাংশ লৈ হ্ৰাস কৰা হৈছে। এই সিদ্ধান্ত মিছন বাসুন্ধৰা ৩.০ আৰু ২.০ দুয়োটাতে প্ৰযোজ্য। যদি মাটিৰ গৰাকীয়ে ভৱিষ্যতে মাটি বিক্ৰী কৰে তেন্তে বাকী ২৭ শতাংশ প্ৰিমিয়াম চৰকাৰক পৰিশোধ কৰিব লাগিব। এনেদৰে প্ৰিমিয়াম হ্ৰাস কৰাৰ ফলত অতিৰিক্ত প্ৰিমিয়াম ব্যয়ৰ বাবে খিলঞ্জীয়া ভূমিৰ আবেদন কৰ্তাই তেওঁলোকৰ মাটি বিক্ৰী কৰিবলৈ উৎসাহী নহ'ব। ইয়াৰ উপৰিও চৰকাৰে গুৱাহাটীৰ পাহাৰীয়া অঞ্চলৰ বাসিন্দাসকলৰ বাবে ভূমিৰ প্ৰিমিয়াম হ্ৰাস কৰাৰ কথা ঘোষণা কৰে। এই পদক্ষেপৰ উদ্দেশ্য হৈছে এই বাসিন্দাসকলক দীৰ্ঘদিন ধৰি প্ৰতীক্ষিত ভূমি অধিকাৰ প্ৰদান কৰা, কিয়নো পাহাৰৰ বহু পৰিয়ালে আগতে বৃহৎ প্ৰিমিয়ামৰ বাবে ভূমিৰ কাম কৰিবলৈ সক্ষম হোৱা নাছিল। আঁচনিখনৰ আগৰ সংস্কৰণৰ অধীনত চহৰৰ পাহাৰত বাস কৰা বহু পৰিয়ালে উচ্চ প্ৰিমিয়াম হাৰৰ বাবে ভূমিৰ অধিকাৰ লাভ কৰিব নোৱাৰিলে। মিছন বসুন্ধৰা ৩.০ৰ অধীনত হ্ৰাস কৰি অধিক সুলভ কৰাৰ লক্ষ্য লোৱা বুলি কয় ড০ শৰ্মাই। মিছন বসুন্ধৰাৰ প্ৰথম দুটা সংস্কৰণত সমগ্ৰ অসমত ১০ লাখৰো অধিক লোক উপকৃত হৈছে। ভূমিৰ প্ৰিমিয়ামৰ শেহতীয়া হ্ৰাসৰ ফলত খিলঞ্জীয়া পৰিয়াল বিশেষকৈ গুৱাহাটীৰ ১৯ খন পাহাৰত বসবাস কৰা লোকসকলেও ভূমি অধিকাৰ লাভ কৰিবলৈ সমৰ্থ হ'ব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিহালীক বাদ দি ৪ সমষ্টিত

বিহালী সমষ্টিক বাদ দি তালিকা প্ৰকাশ কৰিছে বুলি এটা সূত্ৰই প্ৰকাশ কৰিছে। অসম সন্মিলিত মৰ্চা চমুকৈ অসমে বিহালী সমষ্টিটোত চিপিআইএমএলৰ প্ৰাৰ্থীক এৰি দিবলৈ আহ্বান জনাইছিল। অসম সন্মিলিত মৰ্চাই গঠন কৰি দিয়া ৫ জনীয়া সমিতিয়ে চিপিআইএমএলক প্ৰাৰ্থীত্ব এৰি দিবলৈ আহ্বান জনাই প্ৰতিবেদন দাখিল কৰিছিল। কিন্তু কংগ্ৰেছৰ স্ক্ৰীণিং সমিতিত বিষয়টো আলোচনাত হোৱাত চাৰিবাৰতকৈ অধিক পৰাজিত হোৱা বিবেক দাসক প্ৰাৰ্থীত্ব দিয়াৰ ক্ষেত্ৰত কংগ্ৰেছৰ নেতৃত্বই আপত্তি দৰ্শাই বিষয়টো পুনৰ বিবেচনা কৰিবলৈ অসম সন্মিলিত মৰ্চাৰ নেতৃত্বক আহ্বান জনায়। কংগ্ৰেছৰ দিল্লীস্থিত শীৰ্ষ নেতাই অসমৰ মিত্ৰজোঁটৰ দুই নেতা অখিল গগৈ আৰু লুৰীণজ্যোতি গগৈক বাৰ্তালাপ কৰি বিষয়টোক পুনৰ বিবেচনা কৰিবলৈ জনায় আৰু সোমবাৰৰ ভিতৰত অন্য প্ৰাৰ্থীৰ নাম জনাবলৈ অনুৰোধ কৰে। সেই মৰ্মে অসম সন্মিলিত মৰ্চাৰ ৫ জনীয়া সমিতিৰ আন এখন বৈঠক অনুষ্ঠিত হ'ব পাৰে বুলি জানিব পৰা গৈছে। এই অনুযায়ী আজি কংগ্ৰেছে বিহালী  সমষ্টিক বাদ দি বাকী চাৰিটা সমষ্টিৰ বাবে প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰে। এই তালিকাত ধলাইত ধ্ৰুৱজ্যোতি পুৰকায়স্থ, ছিদলী সমষ্টিত সঞ্জীৱ ৱাৰী, বঙাইগাঁও সমষ্টিত ব্ৰজেনজিৎ সিনহা আৰু চামগুৰিত ৰকিবুল হুছেইনৰ পুত্ৰ তানজিল হুছেইনক টিকট প্ৰদান কৰা হৈছে। উল্লেখ্য যে, ২০২১ চনৰ বিধানসভা নিৰ্বাচনত কংগ্ৰেছ মিত্ৰজোঁটৰ প্ৰাৰ্থী আছিল চিপিআইএমএলৰ বিবেক দাসে। কংগ্ৰেছ-ইউফডিএফৰ সমৰ্থ লাভ কৰাৰ পাছতো ২১ হাজাৰ ৫৫৩টা ভোট লাভ কৰিছিল। ২০১৬ চনতো প্ৰাৰ্থী হৈছিল বিবেক দাস। ২০১৬ চনত ৮ হাজাৰ ২৫টা ভোট লাভ কৰিছিল। ২০১১ চনতো বিবেক দাসে প্ৰতিদ্বন্দ্বিতা কৰিছিল। ২০১১ চনত দাসে ১২ হাজাৰ ভোট লাভ কৰিছিল। ২০০৬ চনতো দাসে বিহালী সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিছিল। ২০০৬ চনত ১৮ হাজাৰ ভোট লাভ কৰিছিল। ২০০১ চনতো বিবেক দাসে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছে। ২০০১ চনত বিবেক দাসে লাভ কৰিছিল ১২ হাজাৰ ভোট লাভ কৰিছিল। ১৯৯৬ চনৰ বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি বিবেক দাসে ৮,৫২৫টা ভোট লাভ কৰিছিল। বিহালীক লৈ অসমৰ বিৰোধীৰ মিত্ৰজোঁট অসম সন্মিলিত মৰ্চাত মহাভাৰত অব্যাহত আছে। কংগ্ৰেছত প্ৰাৰ্থীত্ব কেন্দ্ৰিক বিদ্ৰোহৰ পাছতে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় নেতৃত্বই বিহালী সমষ্টি এৰি নিদিয়াৰ সংকেত লাভৰ পাছতে প্ৰদেশ কংগ্ৰেছত আউল লগা পৰিলক্ষিত হৈছে। প্ৰদেশ কংগ্ৰেছে বিহালী সমষ্টি এৰি দিয়াৰ পোষকতা কৰি মিত্ৰজোঁটৰ দলসমূহৰ নেতাক লৈ সমিতি গঠন কৰিছিল যদিও কংগ্ৰেছে মিত্ৰতাৰ ধৰ্ম এৰি নিজাববীয়াকৈ প্ৰাৰ্থী ঘোষণা কৰিবলৈ আগবঢ়াৰ অভিযোগ উত্থাপন হয়। যাৰ ফলত বিৰোধী মিত্ৰজোঁট আৰু কংগ্ৰেছৰ আভ্যন্তৰত আউল লাগিছে। দেওবাৰে সন্ধিয়া কংগ্ৰেছে উপ-নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ৫ সমষ্টিৰ প্ৰাৰ্থী তালিকা ঘোষণাৰ কথা আছিল যদিও সম্পূৰ্ণ তালিকা ঘোষণা কৰিব নোৱাৰিলে। ইয়াৰ মাজতে দলীয় কৰ্মী-সমৰ্থকক ধৈৰ্য্য ধৰিবলৈ আহ্বান জনাইছিল সভাপতি ভূপেন বৰাই। নেতা-কৰ্মীক ধৈৰ্য্য ধৰিবলৈ বুলি জোৰ দি নেতা-কৰ্মীক অসম সন্মিলিত মৰ্চাৰ সামূহিক লক্ষ্যক গুৰুত্ব দিবলৈ আহ্বান জনাই বৰাই কৈছিল যে শাসকীয় ভাৰতীয় জনতা পাৰ্টিক পৰাস্ত কৰিবলৈ অসমৰ সকলো বিৰোধী দলৰ মিত্ৰতা। আমি সকলোৱে এই লক্ষ্য উপলব্ধি কৰিবলৈ চেষ্টা কৰা উচিত। বৰাই অনুমানৰ ওপৰত নিৰ্ভৰশীলতাক নিৰুৎসাহিত কৰে বুলি কৈ আৰু কয় যে পাঁচখন আসনৰ প্ৰাৰ্থিত্বৰ বাবে সৰ্বভাৰতীয় কংগ্ৰেছ সমিতিৰ ওচৰত ব্যাপক প্ৰতিবেদন দাখিল হৈছে। বিষয়টোৰ ওপৰত হাই-কামাণ্ডৰ সিদ্ধান্তৰ বাবে অপেক্ষা কৰিব লাগিব। বৰাই আশ্বাস দি কয় যে আমাৰ ওচৰত চূড়ান্ত নাম আহিব। সকলো জল্পনা-কল্পনাৰ অন্ত পৰিব। নিৰ্বাচনৰ সময়ত বহু নেতাই টিকট নোপোৱাত ক্ষোভিত সচৰাচৰ হয়। মই নিজেই চাৰিবাৰ উপেক্ষিত হোৱাৰ অভিজ্ঞতা আছে। এতিয়া, মোক উপ-নিৰ্বাচনৰ বাবে পাঁচটা টিকট বিতৰণ কৰাৰ দায়িত্ব দিয়া হৈছে। কেতিয়াবা টিকট নোপোৱাতো স্বাভাৱিক। আমি কেৱল ধৈৰ্য্য ধৰি সঠিক মুহূৰ্তৰ বাবে অপেক্ষা কৰিব লাগিব। বিহালী সমষ্টিৰ বাবে চিপিআই এম-এলৰ সদস্য বিবেক দাসৰ সম্ভাব্য প্ৰাৰ্থিত্বক লৈ কংগ্ৰেছ কৰ্মীসকলৰ মাজত বাঢ়ি আহিছে মতবিৰোধ। বিহালী চিপিআইএমএলক এৰি দিয়াৰ বিৰোধিতা কৰিছে বিহালীৰ কংগ্ৰেছীয়ে। বিহালীৰ ১৭খনকৈ পঞ্চায়ত, দুই ব্লক সমিতিয়ে কংগ্ৰেছৰ নেতৃত্বই এনে সিদ্ধান্ত গ্ৰহণ কৰিলে বিৰোধিতা কৰা হ'ব স্পষ্ট কৰিছে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰালৈ বিহালী, বাঘমৰা ব্লক কংগ্ৰেছে পত্ৰ প্ৰেৰণ কৰিছিল। বিহালী সমষ্টিৰ দায়িত্বত থকা গৌৰৰ গগৈকো পত্ৰ প্ৰেৰণ কৰি কংগ্ৰেছৰ প্ৰতীক ইভিএমত নাথাকিলে নিৰ্বাচনত নিষ্ক্ৰিয় হৈ থকাৰ ধমক দিছিল। শেহতীয়াকৈ গেৰুৱা দলৰ পৰা পদত্যাগ কৰা প্ৰাক্তন বিজেপি নেতা জয়ন্ত বৰাক কংগ্ৰেছৰ টিকট প্ৰদানৰ জল্পনা-কল্পনা চলিছে। এতিয়ালৈকে কংগ্ৰেছত যোগদানৰ ঘোষণা কৰা নাই জয়ন্ত বৰাই। প্ৰতিক্ৰিয়া স্বৰূপে বিশ্বনাথ জিলা কংগ্ৰেছৰ সভাপতি দিলীপ বৰুৱাই স্পষ্ট কৰি দিয়ে যে যদি মিত্ৰজোঁটৰ ভিতৰৰ এটা দলৰ প্ৰাৰ্থীক টিকট প্ৰদান কৰা হয়, তেন্তে মিত্ৰজোঁটৰ ভিতৰত থকা আন দলসমূহে বিৰোধিতা কৰিব নালাগে। অসম সন্মিলিত মৰ্চাৰ দলৰ যিকোনো প্ৰাৰ্থীৰ বিৰোধিতা কৰিবলৈ আমাক কোৱা হোৱা নাই। ১৮ টা দলে একত্ৰিত হৈ এই মৰ্চা সৃষ্টি কৰিছিল, সেয়েহে যদি মৰ্চাৰ কোনোবাই টিকট পায়, আমি তাৰ বিৰোধিতা কৰিব নোৱাৰো।

# উপগ্ৰহীয় স্বায়ত্বশাসিত পৰিষদ গঠনৰ দাবীত ৰাজ্যজুৰি নাথযোগীৰ অনশন ধৰ্মঘট

**ই-সংবাদ, কোকৰাঝাৰ, ২০ অক্টোবৰঃ** নাথ-যোগী লোকসকলৰ বাবে উপগ্ৰহীয় স্বায়ত্বশাসিত পৰিষদ গঠনৰ দাবীত অসম প্ৰাদেশিক যোগী সন্মিলনীয়ে ইয়াৰ ভাতৃ তথা সহযোগী সংগঠন সমূহৰ সহযোগিতাত ৰাজ্যৰ প্ৰতিখন জিলা সদৰত অহা ২৫ অক্টোবৰৰ দিনা দিনজোৰা কাৰ্যসূচীৰে অনশন ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰিব। আজি সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিবৃতিত অসম প্ৰাদেশিক যোগী সন্মিলনীৰ সভাপতি ধীৰেন নাথ, কাৰ্যকাৰী সভাপতি অমূল্য কুমাৰ নাথ, সাধাৰণ সম্পাদক ধৰ্মনাৰায়ন নাথ, সদৌ অসম নাথ যোগী যুৱ পৰিষদৰ সভাপতি নিপন নাথ , কাৰ্যবাহী সাধাৰণ সম্পাদক প্ৰাণ কুমাৰ নাথ, অসম প্ৰাদেশিক যোগী মহিলা সন্মিলনীৰ সভানেত্ৰী জেউতী দেৱী, সাধাৰণ সম্পাদিকা হেলেন নাথ, নাথ যোগী জাতীয় পৰিষদৰ সভাপতি কীৰ্তি নাথ, নাথ যোগী স্বায়ত্বশাসিত পৰিষদ দাবী সমিতিৰ সভাপতি ডম্বৰুধৰ নাথ , নাথ সাহিত্য সভাৰ সভাপতি ড° হৰকুমাৰ নাথ, সাধাৰণ সম্পাদক হিৰণ্য কুমাৰ নাথ আৰু অসম প্ৰাদেশিক যোগী পুৰোহিত সন্মিলনীৰ সভাপতি লক্ষ্মীৰাম নাথ স্বাক্ষৰিত বিবৃতিত কয় যে অসমৰ অন্যতম খিলঞ্জীয়া জনগোষ্ঠী নাথযোগী সকলৰ দীৰ্ঘদিনীয়া দাবী উপগ্ৰহীয় স্বায়ত্বশাসিত পৰিষদ গঠনৰ দাবীত এই ধৰ্ণা কাৰ্যসূচী হাতত লোৱা হৈছে । প্ৰেছ বিবৃতিত উল্লেখ কৰা মতে অসমৰ ভূমিপুত্ৰ নাথযোগী সকলক একাষৰীয়াকৈ থৈ অসমীয়া জাতিৰ কথা কথা কল্পনাও কৰিব নোৱাৰি। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত ঢেকিয়াজুলি থানাৰ পৰা বৃটিছ পতাকা নমাই ভাৰতৰ ত্ৰিৰঙ্গ পতাকা উত্তোলন কৰিবলৈ যাওঁতে বৃটিছ চিপাহীৰ গুলিত থিতাতে শ্বহীদ হৈছিল ৫ জন নাথযোগী স্বাধীনতা সংগ্ৰামী। ৮০ দশকৰ অসমৰ বিদেশী বহিষ্কাৰ আন্দোলনৰ ৮৫৫ জন শ্বহীদৰ ভিতৰত নাথযোগী আছিল ১৪০ জন। দেশৰ প্ৰতি ইমান ত্যাগ আৰু আত্মবলিদানৰ পাছতো অসমৰ নাথযোগী সকল সদায়েই এটা উপেক্ষিত হৈ অহাতো পৰিতাপৰ বিষয় বুলি বিবৃতিত উল্লেখ কৰিছে । স্বাধীন ভাৰতৰ যোৱা ৭৭ টা বছৰত অসম বিধান সভালৈ অসমীয়াভাষী নাথযোগী প্ৰতিনিধি মাত্ৰ দুগৰাকী বুলি বিবৃতিত উল্লেখ কৰি কয় যে অসমৰ ৪২ লক্ষ নাথযোগীৰ ভোট ৰাজনৈতিক দলবিলাকৰ প্ৰয়োজন, কিন্তু নাথযোগী সকলৰ কোনো উন্নয়ন নহয়। সেয়েহে নিজৰ প্ৰাপ্য অধিকাৰ আদায়ৰ বাবে ৰাজপথলৈ নাথ যোগীসকল ওলাই আহিবলৈ বাধ্য হৈছে।

# চামগুৰিৰ শিঙিয়াত কুমাৰ নগেন বৰাৰ গ্ৰন্থ 'ৰোমন্থন' উন্মোচন



**ই-সংবাদ, পুৰণিগুদাম, ২০ অক্টোবৰঃ** নগাঁও জিলাৰ চামগুৰিৰ শিঙিয়া কেঁকুৰাচুকৰ বিশিষ্ট সাহিত্যিক কুমাৰ নগেন বৰাৰ বাসভৱনত আজি এখন গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। সভাত বিশিষ্ট সাহিত্যিক কুমাৰ নগেন বৰাৰ 'ৰোমন্থন' নামৰ এখন গ্ৰন্থ উন্মোচন কৰা হয়। বিশিষ্ট শিল্পী বিপুল কুমাৰ বৰাই আঁতধৰা উন্মোচনী অনুষ্ঠানত 'ৰোমন্থন' নামৰ গ্ৰন্থখন উন্মোচন কৰে কবি-সাহিত্যিক সাংবাদিক প্ৰমোদ কুমাৰ শৰ্মাই। কুমাৰ নগেন বৰাই আদৰণি ভাষণ প্ৰদান কৰা উন্মোচনী সভাত পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ উপ-সভাপতি দ্বিজেন্দ্ৰ মোহন শইকীয়া আৰু কবি নৱজ্যোতি মুদৈ বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি লেখক কুমাৰ নগেন বৰাৰ সৃষ্টিৰাজীৰ লগতে সাহিত্যৰ বিভিন্ন দিশৰ ওপৰত ভাষণ প্ৰদান কৰে। কবি-সাহিত্যিক সাংবাদিক প্ৰমোদ কুমাৰ শৰ্মাই উন্মোচনী ভাষণত কয় যে সাহিত্যই কিছুমান সমস্যা সমাধান কৰিব নোৱাৰিলেও গ্ৰন্থ অধ্যয়নে এটা সুষ্ঠ মানসিকতা গঠন কৰিব পাৰে। এটা সুন্দৰ পৰিবেশ সৃষ্টি কৰিব পাৰে। গ্ৰন্থ অধ্যয়ন কৰা লোকসকল কেতিয়াও বিপদগামী নহয় বুলি ভাষণ প্ৰসংগত উল্লেখ কৰে। সভাত গ্ৰন্থখনৰ বিভিন্ন দিশৰ সম্পৰ্কত শিল্পী ৰাজেন বৰাই বহলাই ভাষণ প্ৰদান কৰে। জয়শ্ৰী মুদৈয়ে কবিতা পাঠ কৰা সভাখনত লেখিকা পোণা বৰা, সমাজসেৱক ধন বৰা, জয়শ্ৰী গায়ন বৰা, উপকুল বৰা, সৌৰভ কলিতা, শিল্পীশিখা বৰা, ৰঞ্জিত শইকীয়া, হৰকান্ত গায়ন, বীনু বৰা, দেৱকান্ত শইকীয়া, জিতু বৰা, অকণ বৰা উপস্থিত থাকে। কুমাৰ নগেন বৰাৰ বাসগৃহত অনুষ্ঠিত সভাত জয়শ্ৰী গায়ন বৰাই গীত পৰিৱেশন কৰাৰ লগতে শিল্পী বিপুল কুমাৰ বৰাই সাহিত্যৰ বিভিন্ন দিশৰ আধাৰত ভাষণ প্ৰদান কৰে।

## কংগ্ৰেছৰ কাক প্ৰাৰ্থিত্ব দিলে বিজেপিয়ে সমৰ্থন কৰিব?

# চামগুৰিত ৰকিবুল ৰিপুন-মীৰাৰ নিৰ্বাচনী সভা

**ই-সংবাদ, পুৰণিগুদাম, ২০ অক্টোবৰঃ** চামগুৰি সমষ্টিৰ উপ-নিৰ্বাচনক লৈ ৰাজনৈতিক দলসমূহে তীব্ৰ প্ৰচাৰ চলাই থকা পৰিলক্ষিত হৈছে। আজি চামগুৰিৰ কাৰৈমাৰীত কংগ্ৰেছ দলৰ বুথ সমিতিৰ এখন সভা অনুষ্ঠিত হয়। বাজিয়াগাঁও আৰু লাওখোৱা ব্লক কংগ্ৰেছৰ অন্তৰ্গত বুথ সমিতিৰ বিষয়-ববীয়াসকলৰ উপস্থিতিতঅনুষ্ঠিত সভাখনত চামগুৰি সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা ধুবুৰী লোকসভা সমষ্টিৰ সাংসদ ৰকিবুল হুছেইন, প্ৰদেশ মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰ, প্ৰাক্তন সাংসদ ৰিপুণ বৰা উপস্থিত থাকে। সভাখনত সাংসদ ৰকিবুল হুছেইনে চামগুৰি সমষ্টিৰ লোকসকলৰ লগত আত্মিক সম্পৰ্ক আছে বুলি উল্লেখ কৰি কয় যে মোক যেতিয়া ধুবুৰী লৈ পঠিয়াইছিল, বাধ্য হৈ ধুবুৰীলৈ গৈছিলো। তেতিয়া বিজেপিৰ ইয়াৰ এজন ডাঙৰ নেতাই কৈছিল আদৰ্শগত আৰু নীতিগত কাৰণত আমি বিজেপি কৰি আছো। কিন্তু আপুনি চামগুৰিৰ পৰা যাবগৈ সেইকাৰণে মোৰ অন্তৰে কান্দিছে। কাৰণ চামগুৰি সমষ্টিৰ দুৰ্গা পূজাই হওঁক, ৰাসেই হওঁক, ৰমজানৰ ৰোজাই হওঁক সকলো সময়তে মই মন্দিৰে-মন্দিৰে গীৰ্জাই-গীৰ্জাই গৈ খবৰ লোৱাটো মোৰ দৈনন্দিন কৰ্তব্য। সেইকাৰণে মোক চামগুৰিৰ ৰাইজে ২০০১ ৰ পৰা ২০২১ লৈকে জিকাইছে। মুখ্যমন্ত্ৰী ডাঃ হিমন্ত বিশ্ব শৰ্মাক বতাহত উৰা মানুহ বুলি কটাক্ষ কৰি ৰকিবুলে কটাক্ষ কৰি কয় যে মোক চামগুৰিৰ ৰাইজে ২০০১ চনৰ পৰা ২০২১ চনলৈকে জিকাইছে। হিমন্ত বিশ্বকো জালুকবাৰীত জিকাইছে। কিন্তু তেওঁ ১৯৯৬ত হাৰিছে। সেইটো লুকুৱাই ৰাখিছে। ২০০১ চনত কংগ্ৰেছৰ ভাল দিন আহিল। তেওঁ কংগ্ৰেছলৈ আহিল। হাৰাত তেওঁ জিকিল। যেতিয়া কংগ্ৰেছৰ বিপক্ষে বতাহ বলিল তেতিয়া তেওঁ বিজেপিলৈ গুচি গ'ল। বদৰুদ্দিন আজমলে চামগুৰিত প্ৰাৰ্থী দিয়াৰ প্ৰসংগ উত্থাপন কৰি সাংসদগৰাকীয়ে কয় যে বদৰুদ্দিন আজমলে প্ৰাৰ্থী দিব এইটো এটা বাতৰি হ'ল নেকি? কাক ভয় খোৱাব আহিছে। সেইটো ধৰা পৰিছে। সাংসদগৰাকীয়ে পুত্ৰ তাঞ্জিল হুছেইনৰ প্ৰসংগ উত্থাপন কৰি কয় যে বিজেপিয়ে কৈছে কংগ্ৰেছৰ নেতা নাই কাৰণে তাঞ্জিলক প্ৰাৰ্থিত্ব দিছে। মই বিজেপিক বিনম্ৰতাৰে কৈছো কংগ্ৰেছৰ কাক প্ৰাৰ্থী দিলে তেওঁলোকে সমৰ্থন কৰিব। নামটো কওক। মই দায়িত্ব লৈছো নিখিল ভাৰত কংগ্ৰেছৰ পৰা মই তাঞ্জিলৰ নামটো সলাই আনিম। মাত্ৰ হিমন্তবিশ্ব আৰু বিজেপিয়ে কওক অমুকক দিলে আমি সমৰ্থন কৰিম। প্ৰদেশ কংগ্ৰেছৰ জ্যেষ্ঠ মুখপাত্ৰ ডাঃ জয় প্ৰকাশ দাসে আঁতধৰা বুথৰ সভাখনত প্ৰদেশ মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰে ভাষণক কয় যে উপ-নিৰ্বাচনত চৰকাৰী বিষয়াই খেলিমেলি কৰিলে নিস্তাৰ নাই। এই উপ-নিৰ্বাচনত কোনো প্ৰশাসন যন্ত্ৰই খেলিমেলি লগাব নোৱাৰে। আমাৰ বুথৰ নেতা, কেন্দ্ৰীয় নেতা, ৰাজ্যিক নেতাই চিচিটিভি কেমেৰাৰ দৰে দৰে ভোট কেন্দ্ৰৰ পৰা ভোট গণনালৈকে পহৰা দি থাকিব। যি বিষয়াই দুই নম্বৰী কৰিব মই আজিয়েই কৈ থ'লো তেওঁলোকৰ নিস্তাৰ নাই। বিজেপিয়ে চামগুৰিত ভয়-ভাবুকিৰ ৰাজনীতি আৰম্ভ কৰিছে বুলি ভাষণত উল্লেখ কৰে নেত্ৰীগৰাকীয়ে। সভাখনত প্ৰাক্তন সাংসদ ৰিপুন বৰাই পুলিং এজেণ্টৰ কৰণীয় সম্পৰ্কে ভাষণ প্ৰদান কৰে।



গৌৰৱী পিতৃ! মুখত হাঁহি লৈ পুত্ৰৰ হৈ চামগুৰি উপ নিৰ্বাচনত প্ৰচাৰ পিতৃ ৰকিবুল হুছেইনৰ

## ১৪নবেম্বৰৰ-২৪ নৱেম্বৰলৈ ১১দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচী

# ৰামদিয়াৰ ১২৩ সংখ্যক ৰাস মহোৎসৱৰ লাইখুঁটা স্থাপন



**ই-সংবাদ, হাজো, ২০ অক্টোবৰঃ** শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱলৈ মাজত মাত্ৰ এটা মাহ। ৰাজ্যৰ অতি পুৰণি ৰাস মহোৎসৱ সত্ৰনগৰী ৰামদিয়াৰ ৰাস মহোৎসৱে এইবেলি ভৰি দিব ১২৩ বৰ্ষত। অহা ১৪ নবেম্বৰৰ পৰা ২৪ নৱেম্বৰলৈ ১১ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া সত্ৰনগৰী ৰামদিয়াৰ ঐতিহাসিক ৰাস মহোৎসৱৰ আজি ধৰ্মীয় ৰীতি-নীতিৰে লাই-খুটা স্থাপন কৰা হয়। লাই-খুটা স্থাপন কৰে কামৰূপৰ শ্ৰীহাটী সত্ৰৰ সত্ৰাধিকাৰ ভগৱান গোস্বামীয়ে। লাই-খুটা স্থাপন কৰি শ্ৰীহাটী সত্ৰৰ সত্ৰাধিকাৰ ভগৱান গোস্বামীয়ে কয় যে আধ্যাত্মিক ৰাস উৎসৱে মানুহক ভাৰতীয় পৰম্পৰাৰ এক নান্দনিক ৰূপ প্ৰকাশ কৰি আহিছে। শ্ৰীকৃষ্ণৰ ভক্তি প্ৰেমৰ এক উজ্বল নিদৰ্শন দাঙি ধৰি আহিছে ৰাস মহোৎসৱৰ জড়িয়তে। ঐতিহাসিক সত্ৰনগৰী ৰামদিয়া ৰাসত সমাহাৰ ঘটিব অত্যাধুনিক কেইবাটাও বিদ্যুৎ চালিত মূৰ্তিৰ লগতে ৰাজ্যৰ বিভিন্ন ঠাইৰ পৰা আহিবলগীয়া কেইবাখনো বিপনীৰ। বৈদ্যুতিক কাৰুকাৰ্য আৰু জাক জমকেৰে চমৎকাৰী ৰূপত সজাই তুলিব সমগ্ৰ ৰাসস্থলী। ৰাস মহোৎসৱক কেন্দ্ৰ কৰি উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে ৰামদিয়া খেলপথাৰত। ৰামদিয়া হিত সাধিনী সভাৰ উদ্যোগত পৰিচালিত ৰাস মহোৎসৱখনে এইবেলিও বিভিন্ন কাৰ্যসূচীৰে উপস্থিত ভক্তৰ মন জয় কৰাৰ চেষ্টা কৰিব। জাতীয় সাজ-পোছাক পৰিধানেৰে ৰাস মহোৎসৱস্থলীৰ লাই-খুটা স্থাপন অনুস্থানত অংশগ্ৰহণ কৰে সত্ৰনগৰী ৰামদিয়াৰ শতাধিক জ্যেষ্ঠ নাগৰিকে।

# ডিপ্তাত বেচৰকাৰী সংস্থা 'জ্ঞান জিজ্ঞাসা' গঠন

**ই-সংবাদ, বৰমা ২০ অক্টোবৰঃ** নলবাৰী জিলাৰ টিহু ৰাজহ চক্ৰৰ অন্তৰ্গত ডিপ্তা-সুৰাদীত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়ত্ৰী আৰু অভিভাৱকৰ উপস্থিতিত আজি এখন সভা অনুষ্ঠিত হয়। বিশিষ্ট সমাজকৰ্মী তথা বিষয় শিক্ষক খুৰচেদ আলমৰ সভাপতিত্বত অনুষ্ঠিত সভাত 'জ্ঞান জিজ্ঞাসা' নামৰ বেচৰকাৰে সংস্থা এটা গঠন কৰা হয়। সভাত উপস্থিত থাকি বিশিষ্ট সমাজকৰ্মী ৰফিকুল হুছেইনে ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞান অৰ্জনৰ লগতে শৈক্ষিক দিশটো আগবঢ়াই নিয়াৰ ক্ষেত্ৰত জ্ঞান জিজ্ঞাসাৰ জন্ম হোৱা বুলি কয়। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক জ্ঞানৰ পোহৰেৰে ঘৰখন পোহৰাই তুলিবলৈ কয়। এই ক্ষেত্ৰত প্ৰথমে পিতৃ-মাতৃয়ে তেওঁলোকক আগবাঢ়ি যোৱাত সহায় কৰিব লাগিব বুলি কয়। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক সদায় একো একোগৰাকী ভাল মানুহ হোৱাৰ সপোন দেখিবলৈ কয়। সভাত খুৰচেদ আলমে গ্ৰাম্যাঞ্চলৰ দুখীয়া অতি পিছপৰা ছাত্ৰ-ছাত্ৰীসকলক আগবাঢ়ি যোৱাৰ বাবে বহুদিন আগৰে পৰা এখন মঞ্চৰ প্ৰয়োজন অনুভৱ আছিল আৰু আজি সেই অভাৱ পূৰ্ণ হোৱা বুলি কয়। জ্ঞান জিজ্ঞাসাই ছাত্ৰ-ছাত্ৰীসকলক আগবাঢ়ি যোৱাত সদায় সহায় কৰি যাব বুলি কয়। সাংবাদিক আইদুল হুছেইনে উপস্থিত থাকি অনাগত দিনবোৰত যাতে জ্ঞান জিজ্ঞাসাই ছাত্ৰছাত্ৰী সকলক আগবঢ়াই লৈ যায় তাৰে আশা প্ৰকাশ কৰি সংস্থাটোক ধন্যবাদ জনায় । সভাত আসাম পাব্লিক স্কুলৰ বিষয় শিক্ষক আমিনুৰ ইছলাম, সমাজকৰ্মী ইদুল হুছেইনকে ধৰি  উপস্থিত থাকে।

## আৰক্ষীৰ নিষ্ক্ৰিয় ভূমিকা

# পৰিয়ালৰ তৎপৰতাত অপহৃত নাবালিকাক উদ্ধাৰ

**ই-সংবাদ, গোলকগঞ্জ, ২০ অক্টোবৰঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত বিষখোৱা চতুৰ্থ খণ্ড গাঁৱৰ বিবাহিত যুৱকৰ কাণ্ডক লৈ চাঞ্চল্যৰ সৃষ্টি হৈছে। প্ৰথমখণ্ড গাঁৱৰ এগৰাকী নাবালিকাক অপহৰণ কাণ্ডক লৈ আৰক্ষীৰ নীৰৱ ভূমিকাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। যোৱা ৫ অক্টোবৰত পুৱা দক্ষিণ টোকৰেৰছৰা গাঁৱৰ আত্মীয়ৰ ঘৰত গৈছিল ১৭ বছৰীয়া কিশোৰীগৰাকী। সন্দিয়া মণি দাসৰ পুত্ৰ বিবাহিত অনুকুল দাস গাঁওখনত উপস্থিত হৈ ফোন কৰি ঘৰখনৰ বাহিৰলৈ মাতি নি চাৰিচকীয়া বাহনত উঠাই অপহৰণ কৰে কিশোৰীগৰাকীক। পিছদিনা পৰিয়ালৰ লোকে গোলকগঞ্জ থানাত অপৰহৰণকাৰী অনুকুল দাস, পিতৃ মনি দাস, খুড়াক ফনি দাসৰ নামত এখন এজাহাৰ দাখিল কৰে কিশোৰীৰ পৰিয়ালে। মাতৃ সপ্না দাসো অপহৰণ কাণ্ডত জড়িত বুলি মৌখিক অভিযোগ দিয়ে। আৰক্ষীয়ে এজাহাৰ লয় যদিও কোনো ধৰণৰ সন্ধানৰ চেষ্টা নচলোৱা বুলি অভিযোগ উত্থাপিত কৰে এজাহাৰকাৰীয়ে। দায়িত্বত থকা আৰক্ষী বিষয়াগৰাকীয়ে গোচৰ নম্বৰ দিয়াৰ পৰাও বিৰত থাকে। ইপিনে বিষয়াগৰাকীৰ লগত যোগাযোগ কৰিলে ওলোটা নাবালিকাগৰাকীৰ পৰিয়ালকে খবৰ কৰিবলৈ নিৰ্দেশ দিয়ে। উপায়হীন হৈ নাবালিকাৰ পৰিয়ালৰ লোকে অপৰহৰণকাৰী অনুকুল দাসৰ সকলো আত্মীয়ৰ ঘৰৰ ওচৰে পাজৰে মানুহ লগাই দিয়ে। চুবুৰীয়া ৰাজ্য কোঁচবিহাৰৰ শীতাইত থকাৰ উমান লাভ কৰি পশ্চিমবংগৰ শাসকীয় দল তৃণমূলৰ নেতাৰ কৰ্ণ গোচৰ কৰে। তৃণমূলৰ নেতাৰ ধমকিত অনুকুল নাবালিকাগৰাকীক শুকুৰবাৰে সন্ধিয়া অসমত আনি গোপন স্থানত মাতৃ সপ্না দাসক হস্তান্তৰ কৰে। সপ্না দাসে গোলকগঞ্জ থানাত বিয়লি নাবালিকাগৰাকীক চমজাই দিয়ে। সন্ধিয়া আৰক্ষীয়ে নাবালিকাগৰাকীৰ স্বাস্থ্য পৰীক্ষা কৰি গৌৰীপুৰত থকা মহিলা আশ্ৰয় গৃহ আশাত ৰখাৰ ব্যৱস্থা কৰে। এজাহাৰ দিয়াৰ পিছতো একমাত্ৰ পৰিয়ালৰ তৎপৰতাত নাবালিকাগৰাকী উদ্ধাৰ হয়। কিন্তু অভিযুক্তক আটক কৰাত আৰক্ষীৰ নীৰৱ ভূমিকাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এনেকৈয়ে অভিযুক্ত সাৰি যাব নেকি? এয়াই লাখটকীয়া প্ৰশ্ন।



প্ৰয়াত বীৰুবালা ৰাভাৰ কন্যা শ্ৰীমতী কুমলী ৰাভাক ৫লাখ টকাৰ আৰ্থিক সাহায্যৰ চেক প্ৰদান কৰে মুখ্যমন্ত্ৰীয়ে

## চিকিৎসালয়ত উপস্থিত হৈ বুজ লয় বিধায়ক বিশ্বজিৎ ফুকনে

# উৰিয়ামঘাটত খাদ্যত বিষক্ৰিয়া হৈ শতাধিক লোক অসুস্থ

**ই-সংবাদ, সৰুপথাৰ, ২০ অক্টোবৰঃ** সৰুপথাৰৰ উৰিয়ামঘাটৰ পাঁচঘৰীয়া গাঁৱত খাদ্যক বিষক্ৰিয়া হৈ বহু লোক অসুস্থ হোৱাত চাঞ্চল্যৰ সৃষ্টি হৈছে। পাঁচঘৰীয়া গাঁৱৰ পুষ্প গগৈৰ নামৰ লোকজনৰ মাতৃৰ শ্ৰাদ্ধৰ জলপান খোৱাৰ পিছতে বহু সংখ্যক লোক অসুস্থ হয়। নিশাৰ পৰাই বহু লোকৰ বিভিন্ন উপসৰ্গই দেখা দিয়াত উৰিয়ামঘাটৰ আদৰ্শ চিকিৎসালয় আৰু সৰুপথাৰৰ চিকিৎসালয়ত ভৰ্তি কৰা হয়। শৌচ, বমি, মূৰৰ বিষ আদিত ভোগা প্ৰায় ২২ গৰাকী লোকক প্ৰথম অৱস্থাত চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও পিছলৈ ৰোগীৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি পাবলৈ ধৰে। বহু ৰোগী চিকিৎসাৰ বাবে সৰুপথাৰ আৰু উৰিয়ামঘাটলৈ নিয়া হয়। উৰিয়ামঘাটৰ চিকিৎসালয়ত প্ৰায় ১০৪ জন লোকক চিকিৎসা কৰা হৈছে। কেইবাজনকো উন্নত চিকিৎসাৰ বাবে গোলাঘাটলৈ প্ৰেৰণ কৰা হয়। ঘটনাৰ তদন্তৰ বাবে গোলাঘাট জিলাৰ অতিৰিক্ত আয়ুক্ত উপস্থিত হৈ সমগ্ৰ ঘটনাৰ তদন্ত আৰম্ভ কৰে। খাদ্য আৰু অসামৰিক বিভাগে খাদ্যৰ নমুনা সংগ্ৰহ কৰাৰ উপৰিও খোৱাপানী নমুনা সংগ্ৰহ কৰি পৰীক্ষা-নিৰীক্ষা আৰম্ভ কৰিছে। পাঁচঘৰীয়া গাঁৱত চিকিৎসা বিভাগৰ তৰফৰ পৰা এটা চিকিৎসা শিবিৰো অনুষ্ঠিত কৰি চিকিৎসা আগবঢ়োৱা হৈছে। বৰ্তমান আক্ৰান্তসকলৰ অৱস্থা প্ৰায় সংকট মুক্ত বুলি জানিবলৈ দিয়ে অতিৰিক্ত উপায়ুক্তই। আনহাতে সকামৰ ক্ৰীম, দৈ, আৰু ৰসগোল্লাৰ পৰাই কালিৰ ভয়াবহ বিষক্ৰিয়া সংঘটিত হোৱাৰ সন্দেহ কৰিছে স্থানীয় লোকে। উৰিয়ামঘাটত খাদ্যত বিষক্ৰিয়াৰ ঘটনাৰ সৰুপথাৰ সমূহীয়া চিকিৎসালয়ত উপস্থিত হৈ বুজ লয় বিধায়ক বিশ্বজিৎ ফুকনে।

## পুঠিমাৰীত ৰাস মহোৎসৱ

**ই-সংবাদ, ৰঙিয়া, ২০ অক্টোবৰঃ** ৰঙিয়াৰ পুঠিমাৰীত ৪২ সংখ্যক আঞ্চলিক ৰাস মহোৎসৱৰ আজি কাৰ্যালয়ৰ মুকলি কৰাৰ লগতে ৰাস মহোৎসৱৰ লাই খুঁটা স্থাপন কৰা হয়। মাঙ্গলিক পৰিৱেশত কাৰ্যালয়ৰ শুভ উদ্বোধন কৰে উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি হেমন্ত কলিতাই। আয়তীৰ নাম কীৰ্তনকে ধৰি বিভিন্ন মাংগলিক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বিয়লি অনুষ্ঠিত মুকলি সভাত পৰিচালনা সমিতিৰ সাধাৰণ সম্পাদক যতীন চৌধুৰীয়ে উদ্দেশ্য ব্যাখ্যা কৰি আগন্তুক ৰাস মহোৎসৱৰ কাৰ্যসূচী সফলতাৰে ৰূপায়ণ কৰাৰ ক্ষেত্ৰত বিভিন্ন দিশত আলোচনা কৰে। অনুষ্ঠানত স্থানীয় ধৰ্মপ্ৰাণ ৰাইজ উপস্থিত থাকে।

## ক'লাজলত সম্পন্ন জাতীয় বিদ্যালয় শিক্ষা পৰিষদৰ সভা

**ই-সংবাদ, ,ৰঙিয়া, ২০ অক্টোবৰঃ** ৰঙিয়া জিলা জাতীয় বিদ্যালয় শিক্ষা পৰিষদৰ দশম দ্বি-বাৰ্ষিক অধিৱেশন আজি কমলপুৰৰ ক'লাজলত অনুষ্ঠিত হয়। অসমৰ জাতীয় সংগীত গাই আৰম্ভ কৰা সভাত বাৰ্ষিক সম্পাদকীয় প্ৰতিবেদনৰ লগতে হিচাপ পৰীক্ষকৰ প্ৰতিবেদনো পাঠ কৰা হয়। উত্তৰ কামৰূপ জাতীয় বিদ্যালয়ত অনুষ্ঠিত সভাত সভাপতিত্ব কৰে পৰিষদৰ প্ৰতিষ্ঠাপক সভাপতি নৰেন্দ্ৰ শৰ্মাই। সভাত পৰিষদৰ অন্তৰ্ভুক্ত কামৰূপ, দৰং আৰু বাক্সা জিলাৰ অন্তৰ্গত ৩৭ বিদ্যালয়ৰ প্ৰধান শিক্ষক আৰু পৰিচালনা সমিতিৰ বিষয়ববীয়া উপস্থিত থাকে। সম্পাদক বদৰ আলীয়ে আঁতধৰা সভাত কাৰ্যকৰী সভাপতি পয়নুৰ আলী উপস্থিত থাকে। আগন্তুক কাৰ্যকালৰ বাবে নৰেন্দ্ৰ শৰ্মা, পয়নুৰ আলীক মুখ্য উপদেষ্টা, ধৰ্মকান্ত ডেকাক সভাপতি, দিপাংকৰ দাসক কাৰ্যকৰী সভাপতি, দেহিৰাম বৰুৱা, প্ৰদীপ নাথক উপ-সভাপতি, বদৰ আলীক সাধাৰণ সম্পাদক আৰু উমেশ শৰ্মাক সহকাৰী সম্পাদক হিচাপে লৈ আগন্তুক কাৰ্যকালৰ বাবে দায়িত্ব ভাৰ অৰ্পণ কৰা হয়। উক্ত সভাত যথেষ্ট সংখ্যক লোক থাকে।

## দদৰাত আত্মসহায়ক গোটৰ মাজত চেক বিতৰণ এছবিআইৰ

**ই-সংবাদ, শুৱালকুছি, ২০ অক্টোবৰঃ** আত্মসহায়ক গোটৰ জৰিয়তে আত্মনিৰ্ভৰশীল হৈ সমাজলৈ অৱদান আগবঢ়োৱা মহিলাসকলক উৎসাহ প্ৰদানৰ উদ্দেশ্যে ভাৰতীয় ষ্টেট বেংকৰ দদৰা শাখাই আজি ক্ৰেডিট কেম্প অনুষ্ঠিত কৰে। ভাৰতীয় ষ্টেট বেংকৰ দদৰা শাখাৰ মুখ্য প্ৰবন্ধক সঞ্জয় কুমাৰ চাফীয়ে অনুষ্ঠানত অংশ গ্ৰহণ কৰি আত্মসহায়ক গোটবোৰত থকা মহিলাসকলে ভাৰতীয় অৰ্থনীতি তথা বিকাশত গাঁও অঞ্চলবোৰৰ পৰাই নিষ্ঠাৰে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে বুলি কয়। আত্মসহায়ক গোটৰ জৰিয়তে আত্মনিৰ্ভৰশীল হোৱা মহিলাসকলে নিজৰ ঘৰখনৰ লগতে গাঁওখনক স্বাৱলম্বী হ'বলৈ অৰিহণা যোগাইছে বুলিও কয় চাফীয়ে। অঞ্চলটোৰ আত্মসহায়ক গোটসমূহৰ মাজত অনুষ্ঠিত কৰা ক্ৰেডিট কেম্পত দদৰা ষ্টেট বেংক শাখাই অঞ্চলটোৰ




১৫টা আত্মসহায়ক গোটক ঋণৰ চেক বিতৰণ কৰে। আত্মসহায়ক গোটবোৰক ১০ লাখ, ২০, ২৩ লাখ টকাকৈ ঋণৰ চেক বিতৰণ কৰে। দদৰা ভৃগু কুমাৰ ফুকন প্ৰেক্ষাগৃহত অনুষ্ঠিত আত্মসহায়ক গোটৰ ক্ৰেডিট কেম্পত উপস্থিত থাকে ভাৰতীয় ষ্টেট বেংকৰ গুৱাহাটী প্ৰশাসনিক কাৰ্যালয়ৰ উপ-মহাপ্ৰবন্ধক সন্তোষ গুপ্তা, এছ সুব্ৰমনিয়াম, দদৰা শাখাৰ প্ৰবন্ধক সঞ্জয় কুমাৰ চাফী উপস্থিত থাকে। অনুষ্ঠানত ভাৰতীয় ষ্টেট বেংকৰ গুৱাহাটী কাৰ্যালয়ৰআন কেইবাগৰাকী জ্যেষ্ঠ বিষয়াও উপস্থিত থাকে।

# কলগাছিয়াৰ বৰতাৰী মানাহ্ নৈৰ বালি মাফিয়াৰ খনন, দলং-ৰাস্তাৰ প্ৰতি তীব্ৰ ভাবুকি

**ই-সংবাদ, কলগাছিয়া, ২০ অক্টোবৰঃ** বৰপেটা জিলাৰ কলগাছিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত বৰতাৰী মানাহ নৈৰ দলংৰ সমীপত খনন মাফিয়াই খনন চলাই যোৱাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। তিনি পিতা-পুত্ৰই দিনে-নিশাই অবৈধ খনন বালি খনন অব্যাহত ৰাখিছে। বন বিভাগ আৰু প্ৰশাসনক মেনেজ কৰি সন্তোষপুৰ গাঁৰ তিনি পিতা-পুত্ৰই প্ৰায় ২০ খন ট্ৰেক্টৰেৰে দিনে-নিশাই নৈৰ চৰত অবৈধ খননকাৰ্য অব্যাহত ৰাখিছে। অবৈধভাৱে বালিখননৰ ফলত প্ৰতিবছৰে মানাহ নৈত ভয়ংকৰ খহনীয়াৰ কৰলত পৰে শ শ পৰিয়াল। মাটি-ভেটি হৰুৱাই পথৰ ভিক্ষাৰীত পৰিণত হয়। স্থানীয় লোকে বালিখনন বন্ধ কৰাৰ চেষ্টা চলালে বালি মফিয়াই ভয় ভাবুকি দিয়ে বুলি অভিযোগ উত্থাপন হৈছে। এনেকৈ খনন অব্যাহত থাকিলে উত্তৰ শালমাৰা-গুৱাহাটী সংযোগী ৰাজ্যিক ঘাইপথৰ লগতে মানাহ নৈৰ ওপৰত থকা দলংলৈ ভাবুকি আহিব সেয়া নিশ্চিত হৈ পৰিছে। শীঘ্ৰে নৈপৰীয়া ৰাইজে বিভাগীয় কৰ্তৃপক্ষক বালিখনন বন্ধ কৰি বালিমাফিয়া চক্ৰটোক গ্ৰেপ্তাৰ কৰিবলৈ দাবী জনাইছে। ৰাইজে লগতে এই চক্ৰটোৰ সৈতে জড়িত হৈ থকা সমগ্ৰ চক্ৰক পুলিয়ে-পোখাই উভালি অনাৰ পোষতকা কৰে।



## গঠন হ'ল সাহিত্য সভাৰ মায়ং শাখাৰ নতুন সমিতি

# মৰিগাঁও জিলা সাহিত্য সভাৰ ৩৪ সংখ্যক অধিৱেশন



**ই-সংবাদ, মৰিগাঁও, ২০ অক্টোবৰ:** মৰিগাঁও জিলা সাহিত্য সভাৰ আগন্তুক ৩৪ সংখ্যক অধিৱেশন খনি অনুষ্ঠিত কৰিবলৈ আজি মায়ং শাখা সাহিত্য সভাৰ আতিথ্যত মায়ং প্ৰাথমিক বিদ্যালয়ত এখনি সভা অনুষ্ঠিত হয়।কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক মিহিৰ হাজৰিকাৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা সভা খনৰ উদ্দেশ্য ব্যাখ্যা কৰে মৰিগাঁও জিলা সাহিত্য সভাৰ সম্পাদক ডঃ অচ্যুত কুমাৰ দাসে।সভাত উপস্থিত থাকি অধিৱেশন সফল কৰি তোলাৰ ক্ষেত্ৰত মায়ঙৰ ৰাইজৰ সহায় সহযোগ বিচাৰি বক্তব্য আগবঢ়াই মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি মহেন্দ্ৰ শইকীয়াই। ইয়াৰ পিছতেই আগন্তুক মায়ং অধিৱেশন খনি সাফল্য মণ্ডিত কৰি তুলিবলৈ দিহা পৰামৰ্শ মূলক বক্তব্য আগবঢ়াই সাহিত্য সভাৰ নগাঁও আঞ্চলিক সম্পাদক প্ৰতাপ হাজৰিকাই কয় যে তন্ত্ৰ মন্ত্ৰৰ বাবে বিখ্যাত মায়ঙৰ নাম আজি সমগ্ৰ বিশ্বই জানে।সেই খন মায়ঙৰ ভূমিত আগন্তুক মৰিগাঁও জিলাৰ সাহিত্য সভাৰ অধিৱেশন খন অনুষ্ঠিত কৰিব খোজা কথাটো যথেষ্ট আনন্দৰ খৱৰ।অসম সাহিত্য সভাই বিগত সময়চোৱাত অসমীয়া ভাষা সাহিত্যৰ হকে কৰি অহা কাম কাজ আৰু আগন্তুক পাঠশালাৰ সাহিত্য সভাৰ অধিৱেশন সন্দৰ্ভতো বক্তব্য আগবঢ়াই। তেওঁ লগতে জাগীৰোডৰ চেমি কণ্ডাক্টৰ উদ্যোগ আৰু অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ স্বীকৃতি পোৱাৰ বিষয় টোও উল্লেখ কৰে।সভাত জিলা সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক অজিত শৰ্মা,সাংগঠনিক সম্পাদক কুশল বৰা,মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ডঃ ফনিভূষন নাথ,মায়ং আঞ্চলিক উন্নয়ন সমিতিৰ সভাপতি প্ৰফুল্ল ভূঞা,মায়ং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ প্ৰফুল্ল দাস, অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক লোকেন্দ্ৰ হাজৰিকা,অধ্যাপিকা কবিতা মেধি,সাংবাদিক নজৰুল ইছলাম,সম প্ৰমুখ্য কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।উক্ত সভা খনতে এখন শক্তিশালী আদৰণি সমিতি গঠন কৰা হয়।সভাপতি মিহিৰ হাজৰিকা আৰু সম্পাদক হিচাপে নৱ ৰাজনৰ ওপৰত দায়িত্ব অৰ্পণ কৰি বৃহত্তৰ মায়ং অঞ্চলৰ ৰাইজক লৈ আদৰণী সমিতি খন গঠন কৰা হয়। ইয়াৰ পূৰ্বে মায়ং শাখা সাহিত্য সভাৰ পুৰণা সমিতি খন ভংগ কৰি নতুন সমিতি এখন গঠন কৰা হয়।ৰেণু প্ৰভা লস্কৰ মেধিৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভা খনত অৱসৰপ্ৰাপ্ত শিক্ষক মুকুত বিষয়াক নতুন সমিতিৰ সভাপতি আৰু দিলিপ শইকীয়াক সম্পাদক হিচাপে নতুন সমিতি খনৰ দায়িত্ব অৰ্পণ কৰা হয়।

# কলগাছিয়াৰ পূৰ্ব মইনবৰীত ভয়ংকৰ অগ্নিকাণ্ড

**ই-সংবাদ, কলগাছিয়া, ২০ অক্টোবৰঃ** বৰপেটা জিলাৰ মইনবৰী পূৰ বজাৰত ভয়ংকৰ অগ্নিকাণ্ডত ভস্মীভূত হয় পাচখনকৈ দোকান। আনহাতে, ১০ খন দোকানৰো ক্ষতিসাধন হয়। বিদ্যুতৰ শ্বৰ্টচাৰ্কিটৰ ফলত জুইৰ সূত্ৰপাত হোৱাৰ সন্দেহ স্থানীয় ৰাইজৰ। ৰাইজে জুই নুমুৱাবলৈ সক্ষম হয় যদিও ঘটনাস্থলীত পলমকৈ উপস্থিত হয় অগ্নি-নিৰ্বাপক বাহিনীৰ বাহন। কলগাছিয়াৰ পৰা মইনবৰীলৈ দূৰত্ব ২০ কিলোমিটাৰ। মইনবৰীত অগ্নি-নিৰ্বাপক কেন্দ্ৰ স্থাপনৰ দাবী জনাই আহিছে ৰাইজে। ভুক্তভোগী দোকানীসকলক সাহায্য প্ৰদান কৰিবলৈ চৰকাৰৰ দাবী জনাইছে স্থানীয় ৰাইজে। অগ্নিকাণ্ডত প্ৰায় ৬০ লক্ষাধিক টকাৰ সা-সম্পত্তিৰ ক্ষতিসাধন হোৱাৰ দাবী কৰিছে ভুক্তভোগীসকলে।



# ঐতিহাসিক নৰোৱা বালিসত্ৰৰ নতুন পৰিচালনা সমিতি গঠন, ৰাইজৰ আৰ্শীবাদ

**ই-সংবাদ, বেবেজীয়া, ২০ অক্টোবৰঃ** নগাওঁ জিলাৰ বটদ্ৰৱাৰ সমীপবৰ্তী নৰোৱা বালিসত্ৰৰ কীৰ্ত্তন ঘৰ প্ৰাংগনৰ সভাগৃহত দেওঁবাৰে বিয়লি সত্ৰ পৰিচালনা সমিতিৰ আহ্বান মৰ্মে এখন সাধাৰণ সভা অনুষ্ঠিত হয় । শ্ৰী শ্ৰী নৰোৱা বালিসত্ৰ পৰিচালনা সমিতিৰ সভাপতি ৰাজেন কেওটৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনিৰ উদ্দেশ্য ব্যাখ্যা কৰে ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক মাণিক বৰাই । ঐতিহাসিক সত্ৰখনৰ নামলগোৱা, গায়ন-বায়ন আৰু ভকত-বৈষ্ণৱকে প্ৰমূখ্যে কৰি স্থানীয় ৰাইজৰ উপস্থিতিত অনুষ্ঠিত হোৱা সাধাৰণ সভাই আগন্তুক তিনি বছৰৰ বাবে সৰ্বসন্মতি ক্ৰমে অধ্যাপক দিলীপ কুমাৰ ভূঞাক সভাপতি, ৰোহিত কলিতাক কাৰ্যকৰী সভাপতি, মাণিক বৰাক সাধাৰণ সম্পাদক, জীৱন বৰাক সহকাৰী সম্পাদক আৰু কৃষ্ণ প্ৰসাদ কলিতাক কোষাধ্যক্ষ হিচাপে লৈ নতুনকৈ এখন ২৫ জনীয়া পৰিচালনা সমিতি গঠন কৰে । পিছত সভাই ঐতিহ্য মণ্ডিত সত্ৰ খনৰ উন্নয়নৰ স্বাৰ্থত অনাগত দিনত সততা আৰু নিষ্ঠাৰে নতুন সমিতি খনক কাম কৰি আৰ্শীবাদ প্ৰদান কৰে ।

# কেৰালাত নিৰ্যাতনৰ বলি অসমৰ শ্ৰমিক



**ই-সংবাদ, বিলাসীপাৰা, ২০ অক্টোবৰঃ** বহিঃৰাজ্যত অসমৰ ঠিকাদাৰে অসমৰে শ্ৰমিকক প্ৰৱঞ্চনা কৰাৰ অভিযোগ উত্থাপন হোৱাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে নামনিৰ বিলাসীপাৰাত। বিলাসীপাৰা আৰক্ষী থানাৰ অন্তৰ্গত ছুৱাপাতা চতুৰ্থ খণ্ডৰ গাঁৱৰ শ্ৰমিকক প্ৰৱঞ্চনা কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। দৰিদ্ৰ ৰবিয়াল হুছেইন নামৰ শ্ৰমিকজনক প্ৰৱঞ্চনা কৰাৰ অভিযোগ উঠিছে। জানিব পৰা মতে, ঠিকাদাৰ আখিৰুল ইছলামে বিভিন্ন প্ৰলোভন দি কেৰালাৰ এটা কোম্পানীত শ্ৰমিক হিচাপে নিয়োগ কৰিছিল ৰবিয়াল হুছেইনক। শ্ৰমিক ৰবিয়াল হুছেইনে মাতৃৰ বেমাৰৰ বাবে প্ৰায় তিনি মাহ কাম কৰি নিজ ঘৰলৈ উভতি আহিব খুজি ঠিকাদাৰৰ পৰা পাবলগীয়া ধন বিচাৰে। পাবলগীয়া ধন বিচৰাত শ্ৰমিকজনক ঠিকাদাৰ আখিৰুল ইছলাম, আমজাত আলী, ৰোশনাই সেখ আৰু নুৰ ইছলামে শাৰীৰিক-মানসিক অত্যাচাৰ কৰাৰ লগতে সোণৰ আঙঠি আৰু এটা মোবাইল কাঢ়ি লৈ প্ৰাণে মাৰাৰ ভাবুকি দিয়ে। শ্ৰমিক ৰবিয়াল হুছেইনে উপায়হীন হৈ সুযোগ বুজি তাৰ পৰা পলায়ন কৰি কোনোমতে নিজ ঘৰত উপস্থিত হৈ বিলাসীপাৰা আৰক্ষী চকীত এজাহাৰ দাখিল কৰে।

## শতাধিক ৰাইজৰ অংশগ্ৰহণ

# নগাঁৱৰ ৰাইদঙীয়াত বিনামূলীয়া চকু পৰীক্ষা শিবিৰ সম্পন্ন

**ই-সংবাদ, বেবেজীয়া, ২০ অক্টোবৰঃ** নগাঁও জিলাৰ ৰাইদঙীয়া সৌৰভ শাখা সাহিত্য সভা ভৱনত দেওঁবাৰে শিশুৰ বাবে উৎসৰ্গিত সংগঠন বিকাশৰ উদ্যোগত তথা ৰাষ্ট্ৰীয় অন্ধতা নিবাৰণ কাৰ্যক্ৰমৰ সহযোগত এটি বিনামূলীয়া চকু পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰা হয় । এই মৰ্মে, সমাজকৰ্মী শিৱ প্ৰসাদ বৰাই আঁত ধৰা শিবিৰৰ শুভাৰম্ভ অনুষ্ঠানটিত সৌৰভ শাখা সাহিত্য সভাৰ সভাপতি দিলীপ কুমাৰ বৰাই বন্তি প্ৰজ্বলন কৰাৰ পিছতে শিবিৰটি আনুষ্ঠানিকভাবে মুকলি কৰে সমাজসেৱক ধীৰ সিং পাটৰে । বিকাশৰ কাৰ্যকৰী সভাপতি লাচিত বৰদলৈয়ে আদৰণি ভাষন প্ৰদান কৰা শিবিৰত লায়ঞ্চ চকু চিকিৎসালয়ৰ ভবেশ শৰ্মা, মৰমী দেৱী, ৰূপানন্দ নাথ, সৌজন্য কুমাৰ সেনাপতিৰ লগতে বিকাশৰ কৰ্মকৰ্তা গোবিন হাজৰিকা, শংকৰ জ্যোতি শৰ্মা, বিচিত্ৰ নাৰায়ণ শইকীয়া, দীপ জ্যোতি বৰা, জগৎ জ্যোতি দাস, বিপিন দাসকে ধৰি বহুকেইজন লোক উপস্থিত থাকে । উক্ত শিবিৰত ৰাইদঙীয়া অঞ্চলৰ তিনি শতাধিক লোকক নগাঁও যুটীয়া স্বাস্থ্য সঞ্চালকৰ অধীনৰ চকু বিশেষজ্ঞ সকলৰ এটি গোটে চিকিৎসা সেৱা আগবঢ়াই । শিবিৰত ৭২ গৰাকী লোকৰ চকুৰ চানি পৰা ৰোগ চিনাক্তকৰণ কৰা হয় আৰু এই লোককেইজনক অহা ২৯ অক্টোবৰত গুৱাহাটীত বিনামূলীয়াকৈ অস্ত্ৰোপচাৰ কৰাৰ ব্যৱস্থা কৰা হ'ব। বিকাশৰ এনে প্ৰচেষ্টাত ৰাষ্ট্ৰীয় অন্ধতা নিবাৰণ কাৰ্যক্ৰমৰ অধীনৰ চিকিৎসা কৰ্মী সকলৰ দ্বাৰা এনেদৰে চিকিৎসা সেৱা গ্ৰহণ কৰি অঞ্চলটোৰ ৰাইজে সন্তুষ্টি প্ৰকাশ কৰিছে ।



# শেষ পৃষ্ঠা

## ছৰফৰাজ, পণ্টক প্ৰশংসা ৰোহিতৰ

**বাংগালুৰু, ২০ অক্টোবৰঃ** বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত ভাৰত-নিউজিলেণ্ডৰ মাজত অনুষ্ঠিত প্ৰথমখন টেষ্টত ভাৰতে ৮ উইকেটত পৰাজয়বৰণ কৰে। ঘৰৰ মাটিতে সুদীৰ্ঘ ৩৬ বছৰৰ পিছত টেষ্ট ক্ৰিকেটত পৰাজয়বৰণ কৰা সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে টীম ইণ্ডিয়াৰ অধিনায়ক ৰোহিত শৰ্মাই। অধিনায়কগৰাকীয়ে সদৰী কৰা অনুসৰি, ভাৰতে প্ৰথম ইনিংছত ৪৬ ৰানত অলআউট হোৱাটো আছিল দলটোৰ বাবে আটাইতকৈ ডাঙৰ সমস্যা। অৱশ্যে পৰৱৰ্তী দুখন মেচত ভাৰতে প্ৰত্যাৱৰ্তন ঘটাই শৃংখলা দখলৰ চেষ্টা চলাব বুলিও টীম ইণ্ডিয়াৰ অধিনায়কগৰাকীয়ে প্ৰকাশ কৰে। ৰোহিত শৰ্মাই প্ৰথম টেষ্টত পৰাজয়ৰ পিছত কয়, "মই দ্বিতীয় দিনৰ পিছত সংবাদমেলত কৈছিলো, আমি জানিছিলো যে এয়া প্ৰত্যাহ্বানজনক হ'ব। আমি ভবা নাছিলো যে আমি ৪৬ ৰানত অলআউট হ'ম, কিন্তু নিউজিলেণ্ডক কৃতিত্ব দিম। এইটোৱে আমাক খেলখনত পিছ পেলাই দিছিল। ভাল বস্তুবোৰ আগুৱাই নিব লাগিব। আমি আগতে এই প্ৰত্যাহ্বানবোৰৰ সন্মুখীন হৈছো, এইবোৰ ঘটিছে। দুখন টেষ্ট বাকী আছে, আমি জানো কি কৰিব লাগে আৰু আমি পৰৱৰ্তী দুখন টেষ্টত আমাৰ সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন আগবঢ়াম।" অধিনায়কগৰাকীয়ে ৰোহিতে পন্ত আৰু ছৰফৰাজক প্ৰশংসা কৰি কয়, "আমি সহজে ৩৫০ ৰাণতকৈ কম ৰানত আউট হ'লোহেঁতেন, কিন্তু আমি গৌৰৱান্বিত যে ছৰফৰাজ আৰু পন্টে সংযমেৰে খেলি গৈছিল।"

## ওৰাঙত পথ দুৰ্ঘটনাত এজন লোক নিহত

**ই-সংবাদ, ওদালগুৰি, ২০ অক্টোবৰঃ** ওদালগুৰি জিলাৰ ওৰাং আৰক্ষী থানাৰ অন্তৰ্গত পশ্চিম গেলাবিলত সংঘটিত হয় ভয়াৱহ পথ দুৰ্ঘটনা। পথ দুৰ্ঘটনাটোত থিতাতে নিহত হয় পশ্চিম গেলাবিলৰ সোনাজুলী গাওঁৰ ৫২বছৰীয়া প্ৰেম পৌড়েল নামৰ এগৰাকী লোক। লোকজনে চাইকেলেৰে গৈ থকা অৱস্থাত ওৰাং দিশৰ পৰা ৰৌতা অভিমুখে গৈ থকা এএছ১৩এচি২৫৬৬ নম্বৰৰ দ্ৰুতবেগী আল্ট্ৰা বাচৰ খুন্দাত থিতাতে নিহত হয়। নিহত লোকজনৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে ওদালগুৰি অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰি মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰা হয়।



ভাৰতৰ বিৰুদ্ধে সহজ জয়ৰ পিছত দুই কিৱি বেটাৰ, বাংগালুৰুত দেওবাৰে

## বাংগালুৰু টেষ্টত ৮ উইকেটত পৰাস্ত ৰোহিত বাহিনী

# ৩৬ বছৰ পিছত ভাৰতৰ ভূমিত টেষ্টত জয়ী নিউজিলেণ্ড

**বাংগালুৰু, ২০ অক্টোবৰঃ** ২০ বছৰ পূৰ্বৰ ইতিহাসৰ পুনৰাবৃত্তি কৰাত ব্যৰ্থ হ'ল ৰোহিত শৰ্মা বাহিনী। আশংকা কৰা ধৰণেই নিউজিলেণ্ডৰ হাতত ঘৰুৱা মাটিত প্ৰথমখন টেষ্টত ৮ উইকেটত পৰাজয় বৰণ কৰিলে ভাৰতে। বাংগালুৰুৰ বৰ্ষা বিঘ্নিত মেচখনৰ অন্তিম দিনটোত কিৱি বাহিনীক জয়ৰ বাবে প্ৰয়োজন আছিল মাত্ৰ ১০৭ ৰানৰ। নিৰ্ধাৰিত সেই সহজ লক্ষ্য মাত্ৰ ২টা উইকেটে হেৰুৱাই অনায়াসে অতিক্ৰম কৰে আলহী দলটোৱে। ইয়াৰ লগে লগে ১৯৮৮ চনৰ পিছত প্ৰথমবাৰৰ বাবে ভাৰতৰ মাটিত টেষ্ট মেচত জয়ৰ সোৱাদ লাভ কৰে নিউজিলেণ্ডে। ফলস্বৰূপে মূল্যহীন হৈ পৰে ছৰফৰাজ খানৰ বিদ্ৰোহাত্মক শতকীয় ইনিংছ আৰু ঋষভ পন্টৰ সংগ্ৰামী ৯৯ ৰান। প্ৰথম ইনিংছত মাত্ৰ ৪৬ ৰানত অলআউট হোৱাৰ পিছতে ভাৰতে পৰাজয়ৰ দিশে গতি কৰিছিল। কিন্তু দ্বিতীয় ইনিংছত বেটাৰসকলে নিজক নিয়ন্ত্ৰণ কৰি ৰাখি সংগ্ৰামৰ মাজেৰে সন্মানজনক ৪৬২ ৰান সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। সেয়া হ'লেও ৩৬ বছৰৰ পিছত নিউজিলেণ্ডৰ হাতত ঘৰুৱা মাটিত পৰাজয় বৰণ কৰিবলৈ বাধ্য হৈ পৰে ভাৰতীয় দলটো। অন্তিম বাৰৰ ভাৰতত নিউজিলেণ্ড জয়ী হৈছিল জন ৰাইট অধিনায়ক হৈ থকা সময়ত। আজিৰ টেষ্টসহ এতিয়ালৈকে নিউজিলেণ্ড ভাৰতৰ মাটিত তৃতীয়খন টেষ্টত বিজয় সাব্যস্ত কৰে। আজি অন্তিম দিনা খেল আৰম্ভ হোৱাৰ কিছু সময় পিছতে যশপ্ৰীত বুমৰাহে কিৱি অধিনায়ক টম লাথামক শূন্য ৰানত আৰু ১৩ অভাৰত অপেনাৰ কনৱেক পেভিলিয়নমুখী কৰাত ভাৰতীয় শিবিৰত ক্ষীণকৈ হ'লেও আশা সজীৱ হৈ উঠিছিল যদিও ৰাচিন ৰবীন্দ্ৰই সেই আশা নিৰ্বাপিত কৰে। মহম্মদ ছিৰাজ আৰু ৰবীন্দ্ৰ জাডেজাৰ বলে কিৱি বেটাৰসকলক মুঠেই প্ৰত্যাহ্বানৰ সন্মুখীন কৰাব নোৱাৰিলে। ফলত ৰাচিনৰ অপৰাজিত ৩৯ ৰান আৰু ইয়ঙৰ ৪৮ ৰানৰ সহায়ত আলহী দলটোৱে মাত্ৰ ২৭ অভাৰতে সহজ জয় সাব্যস্ত কৰে। ভাৰতৰ হৈ নিউজিলেণ্ডৰ দ্বিতীয় ইনিংছত বুমৰাহে ২টা উইকেট হস্তগত কৰাৰ বাদে বাকীসকল বলাৰ সম্পূৰ্ণৰূপে ব্যৰ্থ হয়। আজিৰ এই জয়ৰ জৰিয়তে ৩খন মেচৰ টেষ্ট শৃংখলাটোত ১-০ৰ অগ্ৰগতি লাভ কৰে লাথাম বাহিনীয়ে। শৃংখলাটোৰ দ্বিতীয়খন টেষ্ট পুণেত অহা ২৪ অক্টোবৰত অনুষ্ঠিত হ'ব।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
সম্পাদকঃ বিজি গগৈ (অবৈতনিক)